অসম সাহিত্যৰত্ন ৮ম ভাগ

ধ্রুৱ চৰিত্র

[illegible]০ শকাব্দ

সম্পাদক—

শ্রীপ্রসন্ন নাৰায়ণ ভাগৱতা

মূল্য ১।৵

GOVERNMENT OF ASSAM
Call No. ৪৯১৪৫৭১
DISTRICT LIBRARY.

ধ্ৰুৱ-চৰিত্ৰ

চতুৰ্থ স্কন্ধ ভাগৱত

কবি বিষ্ণু ভাৰতী বিৰচিত

GOVERNMENT OF ASSAM
DISTRICT LIBRARY.
GAUHATI
Date........................
সাহিত্য ৰত্ন-সম্পাদক........ ....

শ্ৰী প্ৰসন্ন নাৰায়ণ ভাগৱতী সম্পাদিত

সাহিত্য ৰত্ন প্ৰকাশ ভৱন
শ্ৰীশ্ৰীশঙ্কৰদেৱ লাইব্ৰেৰী
পঙ্কৰণী আশ্ৰম
গুৱাহাটী

ধ্রুৱ-চৰিত্ৰ

ছবি ।

জয় নমো নাৰায়ণ   সৰ্ব্ব বিঘ্ন বিনাশন
ভকত বৎসল দয়াময় ।
যাৰ অংশে অৱতৰি   নানাবিধ মূৰ্ত্তিধৰি
সৃষ্টি স্থিতি কৰন্ত প্ৰলয় ॥
নমো নমো ভগৱন্ত   অনাদি অনন্ত সন্ত
নিত্য নিৰঞ্জন নিৰাকাৰ ।
তযু দুই চৰণতে   পৰি পৰি দণ্ডৱতে
কৰো কোটি কোটি নমস্কাৰ ॥
হুয়োক প্ৰসন্ন স্বামী   তোমাৰ চৰিত্ৰ আমি
মূঢ় হুয়া চাহো বৰ্ণাইবাক ।
মাতৃৰ কোলাত বসি   যেন আকাশৰ শশী
শিশু হাত মেলে ধৰিবাক ॥
সেহিভাবে ময়ো মূঢ়   ইটো ভাগৱত গূঢ়
অৰ্থতত্ত্ব নুবুজো নিবেশ ।
বৰ্ণাইবাক আৰম্ভিলো   চৰণে শৰণ লৈলো
প্ৰভু মোক দিয়া উপদেশ ॥

দুয়ো সুচৰিতা গুণে অনিন্দিতা
কুঞ্জৰ ৰাজ গমনী
পীন ঘনস্তনী জাতিত পদ্মিনী
কমলদল নয়নী ॥
কায়মনোবাক্যে শয়নে ভোজনে
উত্তানপাদ নৃপতি ।
সুনীতিত কৰি সুৰুচিৰ সঙ্গে
বঢ়ায়া অধিক প্ৰীতি ॥
পাছে সুৰুচিৰ পুত্ৰ এক হৈল
ৰাজাৰ স্নেহ একান্ত ।
অতি দয়াতৰে গণাই পঢ়াই তাৰে
উত্তম নাম হৈলন্ত ॥
দুৰ্ভাগা সুনীতিক [illegible] নৃপতি
পুত্ৰ এক উপজিলা ।
সৰ্ব্বাঙ্গে সু[illegible] [illegible] ৰূপৱৰ
তান ধ্ৰুৱ নাম হৈলা
যদি ৰূপে গুণে [illegible] সমান
তথাপি ৰজাৰ মতি ।
সুৰুচিত আতি হৈলা আশক্তি
দুৰ্ভাগা হৈলা সুনীতি ॥

ছবি ।
.দিনেক উত্তানপাদ মহাৰাজা চক্ৰৱৰ্ত্তী
ৰত্ন সিংহাসনে আছা বসি ।

নানা দিশ বিদিশৰ বায় ৰাজা ৰাজেশ্বৰ
নৃপতিক আছয় উপাসি ॥
উত্তমক কোলে লৈয়া স্নেহ পাশে বন্ধ হুয়া
হাসন্ত মাতন্ত মন ৰঙ্গে ।
কতো শিৰঘ্ৰাণ কৰি কতো গলা বান্ধি ধৰি
বদন চুম্বন্ত মহা ৰঙ্গে ॥
সুৰুচিয়ো সেহি ঠাই পুত্ৰৰ আনন্দ চাই
নৃপতিক আছন্ত উপাসি ।
ধ্ৰুৱে শিশুগণ সঙ্গে খেলাই ফুৰন্ত ৰঙ্গে
সেহিখানে প্ৰবেশিলা আসি ॥
বাপৰ ভিত্তিক চাই কিছু কিছু কৰি যাই
ধ্ৰুৱে গৈয়া চাপিলন্ত পাশ ।
বাপৰ কোলাত যাইবো অনেক আদৰ পাইবো
মনে হেন কৰি অভিলাষ ॥
খাটৰ ওচৰ পাই পিতৃৰ মুখক চাই
হাত মেলি চান্ত উঠিবাক ।
ৰাজা সুৰুচিক ভয় দেখি যেন নেদেখয়
নকৰিলা আশ্বাস ধ্ৰুৱক ॥
কাষতে আছন্ত ৰই সুৰুচিয়ো মহা দই
অতি গৰ্ব্বে বোলে খৰ্ব্ব বাক ।
দুৰ্ভাগাৰ পুত্ৰ হই ৰজাৰ খাটত তই
কেনমতে চাস উঠিবাক ॥
সপত্নী ভাৰতে থাকি ধ্ৰুৱক কোলত ডাকি
শুণ পুত্ৰ বচন আমাৰ ।

ইটো নৃপতিৰ পাট ৰত্ন সিংহাসন খাট
পাট কুমৰেসে অধিকাৰ ॥
যদ্যপিতো শিশু তই ৰাজাৰ কুমাৰ হস
তথাপি নকৰ আক ইচ্ছা ।
যাতো মোত নজন্মিলে দুৰ্ভাগাত উপজিলে
এতেকে দুৰ্লভ তোৰ বাঞ্ছা ॥
এভো পুত্ৰ এক কৰ মোৰ বাক্য মনে ধৰ
তপ কৰি বিষ্ণুক আৰাধ ।
চিৰ কাল ব্ৰত কৰি আনবৰ অনাদৰি
মোৰ পুত্ৰ হৈবে হেন সাধ ॥
যদি হৰি তুষ্ট হন্ত তোক এহি বৰ দেন্ত
মোৰ এহি গৰ্ভে উপজস ।
হৈলো মই স্বৰূপত তেবে ইটো আসনত
বসিবাৰ অধিকাৰ হস ॥
ইজন্মত তই তাৰ সুহিকস অধিকাৰ
মিছা ইচ্ছা নকৰ ছৱালে ।
দুৰ্ভাগাৰ হুয়া পুত্ৰ উঠিবাক চাস কুত্ৰ
ঐৰ পৰা গুছ ভালে ভালে ॥
নমো নমো মাধৱৰ অৰুণ চৰণ দুইক
চৰণ কমলে বাৰম্বাৰ ।
পাপ পঙ্কে মগ্ন ভৈলো চৰণে শৰণ লৈলো
প্ৰভু মোক উদ্ধাৰা ইবাৰ ॥
যত অপৰাধ চয় ক্ষমিয়োক দয়াময়
পুৰিয়োক মনৰ বাঞ্ছিত ।

তুৰা শকত্ৰ যদি   সঙ্গীৰো সঙ্গক পাওঁ
তেবে মই ভৈলো কৃতাকৃত
শ্ৰীবিষ্ণু ভাৰতী মতি   কৰিও বিষ্ণুক প্ৰতি
সভাসদ সবকো বোলন্ত ।
আন কৰ্ম্ম সবে এৰি   ৰাম কৃষ্ণ বোলা নিতি
হোক মোৰ সংসাৰৰ অন্ত

সুনীতিৰ খেদ

পদ

মৈত্ৰেয়ে বোলন্ত শুনা বিদুৰ মহন্ত ।
সুৰুচিৰ বাক্য ধ্ৰুৱে শুনি আছিলন্ত ।
বাক্য বজ্ৰাঘাতে আসি ভেদিল হৃদয় ।
শোক দুখে কুমাৰে দেখন্ত তমোময় ॥
ওঁঠ কণ্ঠ শুকাইল মুখত নাসে মাত ।
আকাশী চৰগ যেন পৰিল মাথাত ॥
অন্তৰ্গত দহে দেহা বাক্য নাসে মুখে
তেজিলা নিশ্বাস অতিশয় মন দুখে ॥
দুয়োগাতে পিশন্ত অৰুণ দুই আখি ।
ক্ৰোধে সুৰুচিক চান্ত কটাক্ষে নিৰেখি ॥
কাসলিল সৰ্পক যেন লকুৰ প্ৰহাৰে ।
ক্ৰোধে হুমাহুমি ফুকাৰন্ত বাৰম্বাৰে ॥

নপাস্ত উপায় অতি শোকে দহে মন ।
পিতৃৰ মুখক আতি চান্ত ঘনে ঘন ॥
দেখন্ত নৃপতিক তাইক একো নুবুলিলা ।
অধিকে ধ্রুৱৰ আৰু ক্রোধে জ্বলি গৈলা ॥
পিতৃৰ নৈৰাশমনে তেজিলা নিশ্বাস ।
কান্দন্তে কুমাৰ চলি গৈলা মাতৃ পাশ ॥
সুৰুচিক ভয়ে ৰাজা একো নুবুলিলা ।
সৰ্ব্বজনে মনে নৃপতিক গৰিহিলা।
পুত্ৰৰ ক্রন্দন শুনি সুনীতি সুন্দৰী ।
লৰড়ন্তে গৃহৰ বজাইলা শীঘ্র কৰি ॥
নসহে শৰীৰ মোৰ শোকে ফুটে প্রাণ ।
ঝান্ত কৰি বাপু নেকি দেহ সন্নিধান ॥
অনেক আদৰ ভাৱে সুনীতি পুছন্ত ।
কান্দন্তে মাতন্তে ধ্রুৱে সিদ্ধান্ত নেদন্ত ॥
সুমৰি সুমৰি সিটো বচন বিঘাট ।
হৃদয় দহয় দুখে মুখে নাসে মাত ॥
ঘণে ঘণে নিশ্বাস তেজন্ত দুখে আতি ।
নেদন্ত সিদ্ধান্ত কিছু স্বায়ম্ভুৰ নাতি ॥
আখি সুখ মুচি মাৰে কৰন্ত কাতৰ ।
কিসক কান্দস বাপু কৈয়োৰে সত্বৰ ॥
তোৰ দুখ দেখন্তে ন যাই প্রাণ ফুটি ।
কি কাৰণে জীও মই দুৰ্ভাগা পাপিষ্ঠী ॥
লগৰ ছৱালি সব আছে সেই ঠাই ।
তাৰ সৱে কৱে কথা সুনীতিক চাই ॥

শুনিওক মাৱ কহো শোকৰ যুগুতি ।
উত্তমক কোলে লৈয়া আছন্ত নৃপতি ॥
তাক দেখি এৰো গৈয়া চাপিলন্ত কাষ ।
এৰ মনে বাপে মোক কৰিব আশ্বাস ॥
হাত মেলি খাটত চাহন্ত উঠিবাক ।
দেখি মহাদই কুমৰক দিলে হাক ॥
কিসক উঠস শিশু ৰাজাৰ আসনে ।
দুৰ্ভাগাৰ পুত্ৰ হেন নমানস মনে ॥
মোৰ পুত্ৰ উত্তমক সম্প্ৰাপ্ত দেখস ।
দুৰ্ভাগাৰ পুত্ৰ হুয়া তাহাকে বাঞ্চস ।
দৰিদ্ৰ প্ৰাণীৰ যেন বাঞ্চা বহুধন ॥
ভিক্ষুকে খোজয় যেন পঞ্চামৃত অন্ন ॥
উঠিবাক চাস যদি ৰাজাৰ খাটত ।
আগে নুপজিলে কেনে মোহোৰ গৰ্ভত ॥
হৰিক আৰাধি আস মোৰ পুত্ৰ হুইবে ।
তেবে নৃপতিৰ সিংহাসনে আৰোহিবো ॥
সাতো দুৱাৰৰ বাজে মায়েৰ আবাস ।
তেবে সিংহাসনে উঠিবাক অভিলাষ ॥
ইজন্মত তোৰ ভাগ্য নভৈল কপালে ।
ঐবে পৰা এতো দূৰ হোও ভালে ভালে ॥
ৰাজ সমাজত আৰু বুলিলা বিস্তৰ ।
ভালমন্দ একো নুবুলিলা নৃপবৰ ॥
নপাইলন্ত কুমাৰে খাটক উঠিবাক ।
আৰু মহাদই বুলিলন্ত খৰ্ব্ববাক ॥

নকৰিলা অভিনন্দা ৰাজায়ো ইহাঙ্ক ।
সুৰুচি ভৰ্চ্চন্তে তাতো নেদিলেক হাক ॥
তেবেসে নিশ্বাস তেজি কান্দিলা বিস্তাৰ ।
পাছেসে তোমাৰ পাশে আছিল কুমাৰ ॥
লগৰীয়া মুখে হেন শুনিয়া বৃত্তান্ত ।
শোক অগ্নি লাগিলেক সুনীতিৰ গাত ॥
দুষ্মহ দাৰুণ বাক্যশৰে সুৰুচিৰ ।
অন্তৰ্গতে পশি দেহা দহে সুনীতিৰ ॥
অস্থিমজ্জা ছেদি-ভেদি দহয় শৰীৰ ।
নপান্ত নিস্তাৰ পাৰ শোক অগনিৰ ॥
অতিশয় শোকে ধৈৰ্য্য ধৰিবে নাপাৰি ।
দীৰ্ঘস্বৰে বিস্তৰ কান্দিলা বৰ নাৰী ॥
সুবৰ্ণ প্ৰতিমা তনু সুকুমাৰী বালা ।
বদন নিৰ্ম্মল যেন পূৰ্ণ শশী কলা ॥
বিপুল জঙ্ঘণী পীনস্তনী মধ্যাখিনি ।
আকাশৰ পৰা যেন পৰিল ৰোহিনী ॥
নলিন নেত্ৰৰ নীৰ বহি যায় ধাৰে ।
মুকুলিত কেশ পাশ বন্ধো নসম্বৰে ॥
বণপোৰা জুইৰ তাপ পাইল তাত প্ৰায় ।
যাই যেন পৰিল চেতন নাহি গায় ॥
সুৰুচিৰ বাক্য বজ্ৰ সুমৰি সুমৰি ।
কান্দে মহাদই কুমাৰক কোলে ধৰি ॥
পশি গৈল শোক শেল নহয় বাহিৰ ।
পাছে কতোক্ষণে চিত্ত কৰিলন্ত থিৰ ॥

আজোৰন্তে সুনীতিৰ বাক্য নাসে মুখে ।
ঘণে ঘণে নিশ্বাস তেজন্ত মহাদুখে ॥
বুলিবে লাগিলা কুমাৰৰ মুখ চাই ।
নাকান্দা নাকান্দা মোৰ দয়াৰ পুতাই ॥
সাৱধান মনে বাপু শুণা মোৰ কথা ।
সুৰুচিক অসূয়া নকৰা আৰ বৃথা ॥
মই মন্দ ভাগী দোষ নকৰো পৰৰ ।
ভুঞ্জিবাক লাগে দুখ বিধি লিখিলৰ ॥
পূৰ্ব্বত লোকক আমি কৰিলোহো নষ্ট ।
সি কাৰণে ইজন্মত পাওঁ মন কষ্ট ॥
সুৰুচিক ভয়ে ৰাজা দুই চক্ষু মেলি ।
ভাৰ্য্যা বুলি মোক নচাহন্ত মাথা তুলি ॥
ভাৰ্য্যা হেনো মোক ৰাজা নোবোলন্ত লাজে ।
তোক পুত্ৰ বুলি আশ্বাসিবো কোন কাজে ॥
সুৰুচি বুলিল যত হিত উপদেশ ।
পূৰ্ব্বজন্মে যাতো নাৰাধিলো হৃষিকেশ ॥
সি কাৰণে দুৰ্ভাগাৰ গৰ্ভে ভৈল জাত ।
ই জন্মত মাধৱক আৰাধ সাক্ষাত ॥
কমল নয়ন একে নাৰায়ণ বিনে ।
তোৰ ইটো দুখ খণ্ডিবেক আন কোনে ॥
যদিসে বাঞ্ছস বাপু উত্তম সম্পত্তি ।
ভজতেবে ভকত বৎসল যদুপতি ॥
যাৰ পদ সেবি ব্ৰহ্মা নিৰ্ম্মিলন্ত সৃষ্টি ।
লভিল উত্তম পৰম্পদ পাৰ মেষ্টি ॥

তথু পিতামহ মনু শ্বশুৰ আমাৰ ।
যাক সেৱি ভৈল ত্ৰিভূৱনে অধিকাৰ ॥
যাৰ পাদপদ্ম সেৱি মুমুক্ষু সকলে ।
লক্ষ্মীও ভজিয়া আছা চৰণে কমলে ॥
কোটি ব্ৰহ্মাণ্ডৰ নাথ বিধাতাৰ বিধি ।
তাহাঙ্ক আৰধি সুখে সাধা সৰ্ব্ব সিদ্ধি ॥
শোকাকুলে আৰ কিছু বুলিতে নাপাৰি ।
এহি বুলি মৌনভৈলা সুনীতি সুন্দৰী ॥
শুণা সৰ্ব্বলোক সবে আন কৰ্ম্ম এৰি ।
ঈশ্বৰ কৃষ্ণক ভজিয়োক যত্ন কৰি ।
বিশাৰদ লোক সবে তেজি আনকাম ।
শ্ৰীবিষ্ণু ভাৰতী ভনে বোলা ৰাম ৰাম ॥

নাৰদৰ লগত ধ্ৰুৱৰ সাক্ষাৎ

ছবি ।

মাতৃৰ বচন শুনি কুমাৰে মনত গুণি
চিত্ত থিৰ কৰি আপোনাৰ ।
সুৰুচিৰ বাক্য স্মৰি মাতৃৰ বচন ধৰি
বাজহৈলা পিতৃ নগৰৰ ॥

আগ পাছ নাচাহন্ত একেশ্বৰে চলিযন্ত
নকৰন্ত কাকো মনে ভয় ।
ধ্রুৱৰ মনৰ যত বুজি শুনি অভিমত
ব্যক্তভৈলা ব্রহ্মাৰ তনয় ॥
অতিশয় ভক্তি ভাৰে ধ্রুৱে নাৰদৰ পাৰে
জানু শিৰে পৰি প্রণামিলা ।
নাৰদেয়ো তুষ্টহয়া নিজ হস্ত মাথে দিয়া
আশ্বাসি ধ্রুৱক প্রশংসিলা ।
পাছে মনে বিমৰষি ধ্রুৱক বোলন্ত ঋষি
শুনা শিশু বচন আমাৰ ।
একেশ্বৰে কি কাৰণে চলি যাহ ঘোৰ বণে
কহ বাপু কাৰণ ইহাৰ ॥
ঋষিৰ বচন শুনি যথাবৃত্ত কথা মানে
নিৰন্তৰে সকলো কহিল ।
সুৰুচি বুলিলা যত নৃপতিৰো যেন মত
মাৱে যেন উপদেশ দিল ॥
পাছে তাৰ কাৰ্য্য লেখি শিশুৰ সাহস দেখি
পৰম বিস্ময় মুনিবৰ ।
উপদেশ চলে ঋষি তত্ত্ব উপদেশ কৰি
ধ্রুৱক শিখান্ত পূৰ্ব্বাপৰ ॥
শুণ শুণ শিশুতই উপদেশ কহোমই
যথাবৃত্ত শাস্ত্রৰ ব্যৱহাৰ ।
যি কালৰ যেন কৰ্ম্ম যি কালৰ যেন ধৰ্ম্ম
যি কালৰ যেন অধিকাৰ ॥

সম্প্ৰতি তোহোৰ বাপ তপোবনে চলিবাক
যোগ্যহেন নেদেখও আমি
মোৰ বাক্য শুণ বাপ এৰ সবে মনস্তাপ
উলটি গৃহক যাহা তুমি ॥
শিশু সঙ্গে কৰি লীলা কন্দুক লাটিম ঘিলা
খেলি বুলি থাকা নিজ ঘৰে।
তই শিশু অতিশয় যি কি যেন নোবোলয়
কিবা মান অপমান তোৰে ॥
যদি মান অপমানে সুখ দুখ মানা মনে
সিয়ো নিজ অজ্ঞানীৰ কৰ্ম্ম ॥
শুভাশুভ কৰ্ম্মফলে সুখ-দুখ দুয়ো মিলে
সমস্তে প্ৰাণীৰ এহি ধৰ্ম্ম
কোন কাক দেয় দুখ কোনেবা কৰাৱে সুখ
কোনে কাৰ আছে অধিকাৰ।
যত দেখা চৰাচৰ কেহো নোহে স্বতন্তৰ
ফলদাতা ঈশ্বৰ সবাৰ।
হেন জানি জ্ঞানীগণে স্বীকাৰ নকৰে মনে
সুখ-দুখ দুশাক্ষো লভিয়া।
মিলাৱে ঈশ্বৰ ইচ্ছা সুখ-দুখ দুয়ো মিছা
যথা লাভে থাকে তুষ্ট হুয়া ॥
যদি হটবাদ কৰি মায়েৰ বচন স্মৰি
মাধৱক আৰাধিবে চাস।
ইটো বানপ্ৰস্থ ধৰ্ম্ম শুনিও দুষ্কৰ কৰ্ম্ম
কিবা জানি কৰস সাহস ॥

তপোবনে মুণিগণে আৰাধি নিচ্চল মনে
কোটি জন্মে নাপাৰয় যাক ।
তই অতি শিশুমতি নাজানি ভকতি তুতি
কেনমতে আৰাধিবি তাক ॥

ঝুলড়ী ।

এতো হেন কৰ মোৰ বোল ধৰ
পালটি ঘৰকে চল ।
তপস্যাক মতি নকৰ সম্প্ৰতি
যাৱে নোহে বুদ্ধিবল ॥
আছন্ত ঈশ্বৰ তিনিও লোকৰ
সুখ-দুখ ফলদাতা ।
নাহি ভেদ জ্ঞান সবাতে সমান
জগতৰে পিতা মাতা ॥
হেন জানি মনে মান অৱমান
সবাতে হৈবে সমান ।
উত্তমত প্ৰীতি সমানত ৰতি
অধমত দয়া দান ॥
শত্ৰুত মিত্ৰত প্ৰাকৃত লোকত
সম ভাবে আচৰিবে ।
নিজ কৰ্ম্মফলে সুখ-দুখ মিলে
তাহাকো মনে নলৈবে ॥

নাৰদৰ বাণী ধ্ৰুৱে হেন শুনি
বোলন্ত পুনু প্ৰণামি ।
তযু দৰশন দেৱৰো দুৰ্ল্লভ
ভাগোসে দেখিলো আমি ॥
তোমৰা সবৰ দেশ ভ্ৰমিবাৰ
কোনো প্ৰয়োজন নাই ।
হৰি-গুণ গাই ফুৰা বীণা বাই
জগতত প্ৰবৰ্ত্তাই ॥
যেন আদিত্যৰ কোনো কাৰ্য্য নাই
তথাপি অথিৰ মতি ।
লোকৰ কল্যাণ কৰি সৰ্ব্বকাল
ফুৰা মাত্ৰ দিনে ৰাতি ॥
মোক কৃপাকৰি কহিলা আপুনে
যতেক বোধ সাক্ষাতে ।
বিন্তু মোৰ হৃদি আছে আতি ভেদি
সুৰুচিৰ বাক্যাঘাতে ॥
আমি ক্ষেত্ৰ জাতি ক্ৰোধপৰ আতি
সহতে দাৰুণ হিয়া ।
মোৰ যেন মন কহো প্ৰয়োজন
তাৰে উপদেশ দিয়া ॥
" পিতৃ পিতামহে যাক নাহি পাৱে
ত্ৰৈলোক্যতে উতকৃষ্ট ।
যাত অধিকাৰ নাহিকে কাহাৰ
হেনয় স্থান বিশিষ্ট ॥

তাকে লক্ষ্য কৰি আৰাধিবো হৰি
কহিয়ো গুৰু উপায় ।
ধৰ্ম্ম অৰ্থ কাম মোক্ষ প্ৰয়োজন
একোতো নাহিকে দায় ॥
তাকে যেন মতে পাইবো অব্যাহতে
দিয়োক তাৰো উপায় ।
আমি ভাগ্যহীন মায়া পৰাধীন
কি কৰিবো ঘৰে যায় ॥
ধ্ৰুবৰ গোচৰ শুনি মুণিবৰ
আতি প্ৰীতি মন ভৈলা ।
স্নেহে হাসি হাসি কুমৰক চাই
নাৰদে বুলিবে লৈলা ॥
শুনা সভাসদ ভাগৱত পদ
চতুৰ্থ স্কন্ধৰ কথা ।
কৃষ্ণৰ চৰণ চিন্তে যিটো জন
তাৰ জন্ম নুহি বৃথা ॥
শ্ৰীবিষ্ণু ভাৰতী বোলন্ত সম্প্ৰতি
কলিত ধৰ্ম্ম প্ৰধান ।
হৰি গুণ নাম শ্ৰৱণ কীৰ্ত্তন
বিনে ধৰ্ম্ম নাহি আন ॥
হেন জানি মনে সবে সাৱধানে
কৃষ্ণ কথা শুনিয়োক ।
পাপ হৌক ক্ষয় পুণ্যৰ উদয়
ৰাম কৃষ্ণ বুলিয়োক ॥

পদ

নাৰদে বোলন্ত শুনা ৰাজ্যাৰ তনয় ।
পূৰ্ব্বে উপদেশ যেন দিলোহো তোমায় ।
তাত পৰে শ্ৰেয় উপদেশ নাহি আন ।
ময়ো তোত কহো বাপু শুন সাৱধান ॥
ধৰ্ম্ম অৰ্থ কাম মোক্ষ আনো সিদ্ধি যত ।
সবে সিদ্ধি হবে যাৰ চৰণ সেৱাত ॥
অকপটে ভজা হেন মাধৱৰ পায় ।
শুনা তেবে কহো বাপ ভজন উপায় ॥
যেনমতে হৰি তোত হৈৱন্ত বিদিত ।
যেনমতে পাইবি সবে মনৰ বাঞ্ছিত ॥
পুণ্য নদী যমুনাৰ তীৰতে সাক্ষাত ।
মধুবন নামে এক বন আছে তাত ॥
তাতপৰে আৰ পুন্যক্ষেত্ৰ নাহি আন ।
যাত সৰ্ব্বকালে গোবিন্দৰ অধিষ্ঠান ॥
সেইবনে থাকি গোবিন্দক আৰাধিবি ।
স্নান কৰি যমুনাত ত্ৰিসন্ধ্যা কৰিবি ॥
কুশ কৃষ্ণাজিন শুদ্ধ আসন কৰিবি ।
প্ৰাণায়াম কৰি প্ৰাণ মন নিয়মিবি ॥
প্ৰণৱ উচ্চৰি হৃদি পঙ্কজ মধ্যত ।
প্ৰথমতে কৃষ্ণক চিন্তিবি হৃদয়ত ।
আপোনাৰ সমুখে থাপিয়া পাছে হৰি ।
ভকতৰ অৰ্থে সিটো আছা মূৰ্ত্তি ধৰি ॥

ভকতৰ মনোৰথ সদায়ে পুৰন্ত ।
যেই যেন খোজে তাক সৰ্ব্বদায়ে দেন্ত ॥
প্রসন্ন বদন পূর্ণচন্দ্র সমসৰ ।
উন্নত নাসিকা তিল কুসুম সুন্দৰ ॥
অৰুণ নয়ন নৱ পঙ্কজ পৰায় ।
সকাৰুণ দৃষ্টি যাৰ থাকে সৰ্ব্বদায় ॥
ত্রিবলী ললিত ভ্রূৰযুগ মনোহৰ ।
ললাটে অৰুণময় তিলক সুন্দৰ ॥
কপালে কুটিল নীল অলকা ৰঞ্জিত ।
মনোহৰ হাস্যে যেন বৰিষে অমৃত ॥
অৰুণ অধৰ বিম্বফলে সুহি সৰি ।
দশন নিবিড় যেন নৱ কুণ্ড কৰি ॥
সুন্দৰ দুই কর্ণতলে মকৰ কুণ্ডল ।
অমূল্য ৰত্নৰ মণি কিৰীটি উজ্জ্বল ॥
সুন্দৰ ৰচিত কম্বু-কণ্ঠ মনোহৰ ।
প্রকাশে কৌস্তুভ যেন সূর্য্য প্রভাতৰ ॥
সিংহৰক্ষ কটি সুবহল বক্ষস্থল ।
হৃষ্ট-পুষ্ট তুষ্ট দেখি নিতম্ব বহল ॥
নৱ নীল মেঘ শ্যাম শৰীৰৰ কান্তি ।
আপাদে-লম্বিত গলে জ্বলে বৈজয়ন্তী ॥
সুবলিত চাৰি বাহু যেন কৰি কৰ ।
শঙ্খ চক্র গদা পদ্ম চাৰি অস্ত্র ধৰ ॥
বক্ষস্থল ডাহিনে শ্রীবৎস লোমপান্তি ।
বাম বক্ষস্থলে লক্ষ্মী দেৱী প্রকাশন্তি ॥

চৰণ নিৰেক্ষি সদা থাকা জগমাশ ।
জ্বলে গজমতি হাৰ গলে গলপাতা ।
কৰিকৰ সমান সুঠান দুই উৰু ।
নিজজন মনোৰথ পূৰ্ণ কল্পতৰু ॥
কটিত মেখলা দিব্য ৰতনে খচিত ।
তড়িত জড়িত দিব্য পাট ভূনিপীত ॥
পদযুগ শোভে নৱ কমলক গঞ্জি ।
ৰত্নময় সুন্দৰ নুপূৰে আছে ৰঞ্জি ॥
নখচন্দ্ৰ চয় চাৰু দেখি আৰকত ।
পদতল চিহ্নচয় দখি প্ৰাণৰত ॥
এই মূৰ্ত্তি চিন মনে কৰিব সাক্ষাত ।
সৰ্ব্বাঙ্গে চিন্তিযা মন ৰাখিবা হাস্যত ॥
যেন স্নেহভাবে চাহি আছা হাস্যকৰি ।
সেহিভাবে কতোক্ষণ থাকিবাহা স্মৰি ॥
আনো সব নানা ৰূপ এহেন্ত ধৰন্ত ।
সৃষ্টি-স্থিতি সংহাৰ কৰন্ত ভগৱন্ত ॥
আনো সব লীলা মনে চিন্তি যত পাৰে ।
কৰিবা বিস্তৰ আৰো স্তুতি ভক্তিভাৱে ॥
মূলমন্ত্ৰ কহো তাকো শুনা সাৱধানে ।
যাৰ সম মন্ত্ৰ আৰ নাই ত্ৰিভুৱনে ॥
দ্বাদশ অক্ষৰ মন্ত্ৰ মন্ত্ৰতে প্ৰধান ।
যাক জানি হোৱে নৰ হৰিৰ সমান ॥
তেৰাত্ৰ জপিলে দেখা দেন্ত দেৱগণ ।
সাত ৰাত্ৰি জাপ্যে সিদ্ধি হৱে প্ৰযোজন ॥

মন্ত্রময় মূলময় দারু ধাতুময় ।
লেখ্য লেপ্য আনো যত প্রতিমা আছয় ॥
শালগ্রাম শিলাত যে চৈতমণ্ডলত ।
জল আদি আনো নানা অধিষ্ঠান যত ॥
অধিকাৰী ভেদে যাতে তাতে নিষ্ঠা কৰি ।
শুদ্ধমনে ভক্তি ভাৱে আৰাধিব হৰি ॥
গন্ধপুষ্প ধূপ-দীপে নৈবেদ্য মিলাই ।
ফলমূল আনো যত উপহাৰ পাই ॥
তুলসী কুসুম মাধৱৰ প্রিয়তৰ ।
তাৰে মালা হাৰ গান্থি দিবাহা বিস্তৰ ।
কিশলয় দল-জল অঙ্কুত অঙ্কুৰ ।
কালদেশে পাই যত সম্ভাৰ প্রচুৰ ॥
আত্মা অনুৰূপে চিত্তবৃত্ত অনুসাৰে ।
মিতাহাৰ জিতাসন হৈবা নিৰন্তৰে ॥
এহিভাবে আৰধি সাধিবা প্রয়োজন ।
হৈবন্ত সাক্ষাত দেৱ দেৱনাৰায়ণ ॥
পাছে দণ্ডৱতে পৰি প্রণাম কৰিবি ।
অব্যাহতে সবে মনোৰথক সাধিব ॥
নাৰদে ধ্রুৱক সবে উপদেশ দিল ।
ধ্রুৱো নাৰদক প্রদক্ষিণে প্রণামিল ॥
ঋষিত বিদায় মধুবনে চলি গৈলা ।
বৰ্মশ্বতী পুৰীকো নাৰদ আসি ভৈলা ॥
আছন্ত উত্তানপাদ ৰাজা দুখমনে ।
উপাসি আছন্ত যত পাত্র মন্ত্রীগনে ॥

বিপঞ্চি বজাই গুণ বর্ণাই অশেষ।
ভৈলা দেৱঋষি ৰাজসভাত প্রবেশ ॥
নাৰদক দেখি ৰাজা উঠি তাৱক্ষণে।
সাদৃৰি বসাইলা আনি বিচিত্র আসনে ॥
পাদ্য-অর্ঘ আচমনি মধুপর্ক দান।
যথোচিতে ঋষিক কৰিলা বহুমান ॥
প্রাণামি উত্তানপাদ ৰাজা মহাশয়।
অধোমুখে মনদুখে ৰহিল তথায় ॥
যদ্যপি জানন্ত ঋষিসকলে বৃত্তান্ত।
তথাপি উত্তানপাদ ৰাজাত পুছন্ত ॥
কি কাৰণে নৃপতি মলিন দেখো মুখ।
কিবা হেতু ৰাজা তোৰ মনত অসুখ ॥
সাতো দ্বীপা পৃথিবীৰ ভৈলি অধিকাৰী।
যত দেৱগণ মানে তোৰ আজ্ঞাকাৰী ॥
ধর্ম্ম অর্থ কাম আনো মনোৰথ যত।
কোনোবা অসাধ্য আছে কহ স্বৰূপত ॥
নিশ্বাস তেজিয়া ৰাজা বোলে দুখমনে।
মই অধমত কথা সোধা কি কাৰণে ॥
শুনা গুৰুবাপ তুমি কহিবাৰ ঠাই।
মোৰ সম পাপী ইটো ত্রিভুবনে নাই ॥
মই চক্রবর্ত্তী ৰাজা সাতো পৃথিবীৰ।
ক্রীড়াৰ বানৰ যেন ভৈলো সুৰুচিৰ ॥
তাইৰ বশ্য হুয়া সুনীতিক কৰি নিন্দা।
ভার্য্যাবুলি মনেয়ো নকৰো অভিনন্দা ॥

সুনীতিৰ পুত্ৰ ধ্ৰুব নামে সুকুমাৰ ।
একদিনা সমীপক আসিলা আমাৰ ॥
সুৰুচিৰ পুত্ৰ আছে মোহোৰ কোলাত ।
তাক দেখি সিয়ো মেলিলেক দুয়ো হাত ॥
সুৰুচিক ভয়ে কোলে নলৈলোহো তুলি ।
মোত গৰ্ব্বে সুৰুচি পাৰিলা আৰো গালি ॥
স্ত্ৰীঅধীন হুয়া নাচাহিলো পুত্ৰমুখ ।
তেজিলা নিশ্বাস পুত্ৰে লভি মহাদুখ ॥
শোকে দুখে বিস্তৰ কান্দিলা দীৰ্ঘস্বৰে ।
শুনিলো বনক চলি গৈলা একেশ্বৰে ॥
পাঞ্চ বৎসৰৰ মোৰ আৱাল কুমাৰ ।
শুনিলো বনক চলি গৈলা একেশ্বৰ ॥
ক্ষুধায়ে তৃষ্ণায়ে ঘোৰ ৰৌদ্ৰবৃষ্টি বাতে
কিবা পৰি মৰে কৈন্ত বৃক্ষৰ মূলতে ॥
একেশ্বৰ শিশুক বনত লাগ পাই ।
কিবা একো সিংহে বাঘে ঘোঙে বেঢ়ি খায় ॥
পুত্ৰশোকে সুনীতিয়ো তেজিব জীৱন ।
আকেসে শুণতে মোৰ দহে প্ৰাণ্ড প্ৰাণ ॥
কোন নিদাৰুণ আৰ আছে মোৰ সম ।
ভাৰ্য্যাপুত্ৰ দুহানো সাক্ষাতে ভৈলো যম ॥
আৰো কিছো বুলিবে নুৱাৰি মৌন ভৈলা ।
ৰাজাক সম্মুখি ঋষি বুলিবাক লৈলা ॥
ধ্ৰুবক লাগিয়া শোক নকৰিবা মনে ।
ধ্ৰুবক আপুনি ৰাখিৱন্ত নাৰায়ণে ॥

তাৰ প্ৰভাৱক ৰাজা শুনিয়োক সাৰ।
তিনিয়ো ত্ৰৈলোক্য ব্যাপি হৈবে যশ তাৰ ॥
কুলৰ কমল তোৰ বংশৰ উদ্ধাৰ।
মোৰ মুখে কতেক বৰ্ণাইবো গুণ তাৰ ॥
দেৱতা সবৰ যিটো পৰম দুষ্কৰ।
হেন কৰ্ম্ম কৰিবেক তোমাৰ কুমৰ ॥
উগ্ৰতপ কৰি মাধৱক আৰাধিব।
তপবলে ঈশ্বৰক সাক্ষাত কৰিব ॥
মাধৱৰ পৰম্পদ পাইবা মহাভাগ।
অল্পতে ধ্ৰুবক নগৰতে পাইবা লাগ ॥
তোকেসে দয়ায়ে ৰাজা আসি ভৈলো মই।
ধ্ৰুবৰ নিমিত্তে শোক নকৰিবি তই ॥
বিদুৰক সম্বুধিয়া মৈত্ৰেয়ে কহন্ত।
ৰাজাক নাৰদে যেবে প্ৰবোধ দিলন্ত ॥
এৰিল সন্তাপ ৰাজা সুস্থ ভৈল মন।
ৰাজাক আশংসি ঋষি কৰিলা গমন ॥
পাছে ৰাজা এৰি সবে ৰাজকাৰ্য্য যত।
কেৱলে ধ্ৰুবক মাত্ৰ চিন্তন্ত মনত ॥
ত্ৰৈলোক্যৰ ৰাজ-লক্ষ্মী তাকো অনাদৰি।
ৰাত্ৰিদিনে থাকে মাত্ৰ কুমৰক স্মৰি ॥
ধ্ৰুবৰ মহিমা শুনি মুনিৰ বচনে।
আপোনাকে কৃত্যকৃত্য হেন মনে মানে ॥
আপোনাৰ দুস্কৃত সুমৰি ৰাজা মনে।
আপোনাকে নিন্দা ৰাজা কৰন্ত আপুনে ॥

সুনীতিক আশ্বাস কৰিয়া নৃপবৰ।
সুৰুচিতো কৰি তাঙ্ক কৰন্ত সাদৰ॥
ধ্ৰুব আসিবন্ত হেন মনে নৰেশ্বৰ।
নিত্যাগতে বাট চাই থাকা নিৰন্তৰ॥
শুনা সভাসদ ইটো মহাভাগৱত।
ভাগ্যে জন্ম ভৈল ইতো ভাৰত খণ্ডত॥
আউৰ কি মনুষ্য হৈবা হেন আশা আছে।
আকে লাগি খেদ পুন্ন কৰিবাহা পাছে॥
জানি মাধৱত ভক্তি কৰি সাধা গতি।
ৰামকৃষ্ণ বোলা পাপ যাউক অধোগতি॥

ধ্ৰুবৰ তপস্যা

দুলড়ী।

মৈত্ৰেয় বদতি শুনা কুৰুপতি
পাছে যেন কথা ভৈলা।
নাৰদৰ শিক্ষা মনে ধৰি ধ্ৰুব
মধুবনে চলি গৈলা॥
পায়া মধুবন যমুনাতে স্নান
কৰি স্বায়ম্ভূৱ নাতি।
উপবাস কৰি মৌন ব্ৰত ধৰি
থাকিলন্ত সিটো ৰাতি॥

উষা সময়ত স্নানি যমুনাত
তীৰতে নিৰ্ম্মিয়া স্থান ।
বন্য-ফুল-ফল আনিল সকল
খুজি পাইলা যতমান ॥
নিবিড় আসনে বসি কুশাসনে
মন সাৱধান কৰি ।
ঋষি উপদেশে চিন্তন্ত নিশেষে
পৰম পুৰুষ হৰি ॥
হুয়া জিতাসন নিয়মিয়া মন
একান্তে হৰিৰ পাৰে ।
প্ৰত্যেক দিনতে তিনিয়ো সন্ধ্যাতে
পূজন্ত ভকতি ভাৱে ॥
নাৰদৰ মত সুমৰি মনত
যথামতি অনুসাৰে ।
পঢ়ি পঢ়ি স্তুতি কৰন্ত প্ৰণতি
প্ৰদক্ষিণ বাৰম্বাৰে ॥
প্ৰথম মাসত তিনি ৰাত্ৰ ব্ৰত
কৰিলা নৃপ কুমাৰ ।
চতুৰ্থ দিনাতে পাৰণা কৰন্ত
একে গুটি ফলাহাৰ ॥
ত্ৰিসবন স্নান পূজা মন্ত্ৰ ধ্যানে
থাকা মূলমন্ত্ৰ জপি ।
দ্বিতীয় মাসত সাত ৰাত্ৰ ব্ৰত
উপবাস অনন্তৰে ॥

সপ্তম দিনাত খান্ত পকা পাত
পাৰণা ভঙ্গক ডৰে ॥
তৃতীয় মাসত নৱ ৰাত্ৰ ব্ৰত
আচৰি ৰাজ কুমাৰ ।
দশম দিনত পাৰণাঁক কৰন্ত
গণ্ডুষেক জলাহাৰ ॥
চতুৰ্থ মাসত দ্বাদশ দিনত
নকৰি একো ভোজন ।
ত্ৰয়োদশ দিনে পাৰণক মনে
কৰন্ত বায়ুক পান ॥
পঞ্চম মাসত ধৰি দীৰ্ঘব্ৰত
থাকিলা বায়ু তস্তিয়া ।
মাধৱক ধ্যানে ৰহি একমনে
এক পাৱে ভুমি চুয়া ॥
শীত বাত ঘোৰে সহি নিৰন্তৰে
নচাহন্ত আগ পাছ ।
মহাযোগবলে ৰহিলা নিশ্চলে
যেন মুৰা শালগাছ ॥
চিত্তবুদ্ধি প্ৰাণ কায়বাক্য মন
একত্ৰে কৰিয়া ধ্যান ।
কৃষ্ণৰে ৰূপত হুয়া আসকত
একো নেদেখন্ত আন ॥
প্ৰকৃতি-পুৰুষ মহাদহঙ্কাৰ
সবাৰো অধিক্য হৰি ।

তাঙ্কে দৃঢ়ব্ৰতে ধৰিলা মনতে
ধ্ৰুৱে সাৱধান কৰি ॥
যাতো ত্ৰৈলোক্যৰ আত্মা দামোদৰ
ধৰিলা ধ্ৰুৱে মনত ।
তিনি ত্ৰৈলোক্যৰ যত চৰাচৰ
কম্পিলা সবে জগত ॥

ছবি ৷

পঞ্চমাস বহি গৈলে ছয়মাস আসি ভৈলে
পাছে সিয়ো পাৱ আলগায় ।
বৃদ্ধাঙ্গুষ্ঠি ভূমি চুই থাকিলন্ত থিয় হুই
উপৰক তুলি বাহু দুই ॥
জগত আধাৰ হৰি তাহাঙ্ক হৃদয়ে ধৰি
যেখনে লাৰন্ত ধ্ৰুৱে ভৰি ।
ইভিতি অৰ্দ্ধেক চৰে সিভিতি অৰ্দ্ধেক পৰে
টলবল কৰে বসুন্ধৰী ॥
যেন হস্তী চৰে নাৱে যেইভিতি লৰে পাৰে
সেইভিতি নাৱ হৰে কাতি ।
কুমৰৰ পয়োভৰে সেই ভাৱে মহী লৰে
চৰাচৰো ভয় ভৈলা আতি ॥
পাছে ধ্ৰুৱে মাধৱক কৰি নিয়া হৃদিগত
বায়ুক নিৰোধি তম্ভি ভৈলা ।

এতহস্তে জগতৰ প্ৰাণ বায়ু নিৰন্তৰ
কাৰো আৰ বাহিৰ নভৈলা ॥
ভৈল সবে নিৰুশ্বাস মিলিল সবাৰো ত্ৰাস
কাৰো আৰ নাহি মাতবোল ।
ৰাৰো নাহি হৃদি সিদ্ধি যেন জলন্ধৰ ব্যাধি
পেট উফন্দিল যেন ঢোল ॥
নপাৰে নিশ্বাস শ্বাস সবে ভৈল মহাত্ৰাস
পৰম বিস্ময় দুখ মনে ।
ব্ৰহ্মা আদি দেৱ যত মাধৱৰ চৰণত
মৃত্যুভয় পশিলো শৰণে ॥
ত্ৰাহি ত্ৰাহি কৃষ্ণ হৰি আগে দণ্ডৱতে পৰি
কৰযোৰে কৰন্ত কাতৰ ।
নাজানো কাৰণ আৰ কিবা হেতু জগতৰ
শ্বাসবন্ধ ভৈল সমস্তৰ ॥
তুমি জগতৰে প্ৰাণ তুমি বিনে কোনে আন
ইটো দুখ পাৰে খণ্ডিবাৰে ।
হেৰা ম্ৰিয়মান ভৈলো চৰণে শৰণ লৈলো
প্ৰাণ ৰাখা ইবাৰ আমাৰ ॥
দেৱতাৰ স্তুতি-নতি শুনি ত্ৰিজগত পতি
হাস্য কৰি দিলা সমিধান ।
ধ্ৰুৱেসে ধাৰণা ধৰি প্ৰাণ বায়ু বন্ধ কৰি
সবাৰো নিৰুধি আছে প্ৰাণ ॥
তোমাসাৰ ভয় নাই মই যাইবো তাৰ ঠাই
ত্ৰিজগতে লভিবা উশাস ।

তাহাৰো মনৰ যত সাধিবোহো অভিমন
হেৰা চলি যাওঁ তাৰ পাশ ॥
নমো নমো নাৰায়ণ ভৃত্যভয় বিনাশয়
ভকত বৎসল লক্ষ্মীপতি ।
দণ্ডৱতে পাৱে পৰি কোটি নমস্কাৰ কৰি
কবি বিষ্ণু ভাৰতী বদতি ॥
শুনা সবে সভাসদ মহাভাগৱত পদ
চতুৰ্থ স্কন্ধৰ কথা সাৰ ।
হৰিক হৃদয় ধৰি ডাকি বোলা হৰি হৰি
হোক কোটি পুৰুষ উদ্ধাৰ ॥

ধ্ৰুৱৰ বৰ লাভ।

পদ ।

মাধৱত অভয় লভিয়া দেৱগন ।
কৃষ্ণক প্ৰণামি চলি গৈলা নিজ থান ॥
পাছে গৰুড়তে আৰোহিয়া নাৰায়ণ ।
ধ্ৰুৱক দেখিবে চলি গৈল মধুবন ॥
আগতে সাক্ষাতে গৈয়া আছা ভগৱন্ত ।
তথাপিতো চক্ষু মেলি ধ্ৰুৱে নাচাহন্ত ॥
হৃদি-পদ্ম মধ্যে মাধৱক লাগ পাই ।
ভুৱনমোহন ৰূপ ৰঙ্গে আছা চাই ॥

নৱ-নীল মেঘ-শ্যাম সুন্দৰ শৰীৰ ।
শোভে পীতবস্ত্রে তাতে বিজুলী অথিৰ ॥
প্রসন্নবদন কোটি চন্দ্রমাৰ কান্তি ।
চাৰিহাতে চাৰি অস্ত্র গলে বৈজয়ন্তী ॥
ইষত হৰিষত মুখে সুখে আছা চাই ।
প্রেমে নয়নৰ নীৰ ধাৰে বহি যায় ॥
ধ্রুৱৰ চিত্তক লক্ষ্য কৰি নাৰায়ণ ।
হৃদয়ৰ পৰা হৰি ভৈলা অন্তৰ্ধান ॥
পাছে সচকিতে ধ্রুৱে চক্ষু মেলিলন্ত ।
সেইৰূপে কৃষ্ণক সাক্ষাতে দেখিলন্ত ।
মাধৱক দেখি প্রেমে গাৱ সিহৰিল ।
সচকিতে দণ্ডৱতে পৰি প্রণামিল ॥
নমস্কাৰ কৰি কৃতাঞ্জলি হুয়া ৰৈলা ।
ভুবন মোহন ৰূপ দেখি মোহ ভৈলা ॥
দুই নেত্রে যেন পান কৰিবাক চান্ত ।
মুখে যেন মাধৱক চুম্বন দিয়ন্ত ॥
দুই বাহু মেলিয়া খোজন্ত আলিঙ্গিত ।
আনন্দে দ্রৱিল চিত্ত অঙ্গ পুলকিত ॥
মনে মাধৱক খোজে স্তুতি আৰম্ভিত ।
নজানন্ত শাস্ত্র সিও নুৱাৰা বুলিত ॥
সৰ্ব্ব অন্তৰ্যামী হৰি ইঙ্গিতে জানিল ।
শঙ্খগোট ধ্রুৱৰ কপালে পৰশিল ॥
জানিলন্ত ধ্রুৱে বেদশাস্ত্র আছে যত ।
কৰিবে লাগিলা স্তুতি কৃষ্ণৰ আগত ॥

নমো ভগৱন্ত অন্তৰ্য্যামী নাৰায়ন ।
যাহাৰ প্ৰকাশে প্ৰকাশয় ইন্দ্ৰিগণ ॥
মই পাঞ্চ ব'ৰষৰ শিশু অপঠিত ।
যাহাৰ প্ৰসাদে মই ভৈলো তত্ত্ববিত ॥
নমো পৰমাত্মা ৰূপে জগত ঈশ্বৰ ।
যিটো মায়াগুণে আছে সবে চৰাচৰ ॥
অন্তৰ্য্যামী ৰূপে তাতে প্ৰবেশি আপুনি ।
নৱৰা প্ৰকাশ যেন কাষ্ঠ মধ্যে বহ্নি ॥
সেইভাৱে তুমি ব্যাপি আছা প্ৰপঞ্চত ।
তোমাকেসে নানাভাৱে দেখে অজ্ঞানত ॥
তুৱা পাদপদ্ম সেৱে যি সব মহন্তে ।
আন দৃষ্টি তোমাকেসে দেখে জগততে ॥
ব্ৰহ্মজ্ঞান চিন্তি পাছে পাৱে তদাকাৰ ।
কোন পাপী তেজে ইটো চৰণ তোমাৰ ॥
তোমাৰ সেৱাত সিজে মহামোক্ষ ফল ।
তথাপিতো বাঞ্চে যিটো দেহৰ কুশল ॥
সিটো ইন্দ্ৰিয়ৰ ভোগ নাৰেকীতে আছে ।
আকে লাগি মনু পুনৰপি কৰে পাছে ॥
যিটো সুখ আছে তযু চৰণ চিন্তনে ।
তযু ভকতৰ সঙ্গে শ্ৰৱণ কীৰ্ত্তনে ॥
মোক্ষতো সি সুখ নাই আন কোন চাৰ ।
আন যত সুখ মানে অধীন কালৰ ॥
মোহোৰ মনৰ আৰে হেনসে আশয় ।
তযু ভকতৰ সঙ্গ হৌক সৰ্ব্বদায় ॥

তেসম্বাৰ মুখ-পদ্ম হন্তে বাহিৰায় ।
তৱ কথামৃত পানে মহা মত্ত হয় ॥
দুস্তৰ সংসাৰ ঘোৰ কৰিবো বিনাশ ।
এতেকেসে বাঞ্ছো তযু চৰণৰ পাশ ॥
তুৱা পাদ-পঙ্কজ যুগল মধুপান ।
যিটো পিয়া থাকে সিটো সিটো সুমৰে আন ॥
যিটো সুখ পাৱে তুৱা যশ ৰস পান ।
দুৰ্লভ মুক্তিয়ো তাক সুহিকে সমান ॥
তুমিসে ঈশ্বৰ কোটি কোটি ব্ৰহ্মাণ্ডৰ ।
তোমাত পৃথক কিছো নাহি চৰাচৰ ॥
প্ৰলয়-কালত সবে কৰি গৰ্ভাগত ।
সুখে শুতি থাকা তুমি অনন্ত শয্যাত ॥
নাভি-পদ্ম হন্তে হন্ত ব্ৰহ্মা অৱতাৰ ।
নানাবিধ সৃষ্টি প্ৰভু বিনোদ তোমাৰ ॥
তুমি নিত্য মুক্ত পৰিপূৰ্ণ পৰমাত্মা ।
অনাদি ঈশ্বৰ সৃষ্টি স্থিতি লয়কৰ্ত্তা ॥
অসংখ্যাত মায়া যাৰ কটাক্ষে চলয় ।
অসংখ্য ব্ৰহ্মাণ্ড কৰে সৃষ্টি স্থিতি লয় ॥
নমো ভগৱন্ত তুৱা চৰণ দুহয় ।
প্ৰণামো অনন্ত আগু পূৰ্ণ ব্ৰহ্মময় ॥
সৰ্ব্ব পুৰুষাৰ্থ নাই তুমি আৰ্ত্তবন্ধু ।
দীন-দয়াময় ত্ৰাহি ত্ৰাহি কৃপাসিন্ধু ॥
যেন পিতৃ পুত্ৰক পালয় সৰ্ব্বদায় ।
ধেনু যেন স্নেহ কৰি পুত্ৰক পালয় ॥

সেহিভাৱে মোক ৰক্ষা কৰিবা আপুনি ।
চৰণে শৰণ লৈলো প্ৰভু চক্ৰপাণি ॥
মৈত্ৰেয়ে বোলন্ত কথা শুনা আতপৰে ।
ধ্ৰুবৰ স্তুতিত তুষ্ট হুয়া দামোদৰে ॥
আশ্বাসি ধ্ৰুবক অভিনন্দা কৰি হৰি ।
বুলিবে লাগিলা স্নেহে চাহি হাস্য কৰি ॥
শুন ৰাজকুমাৰ তোহোৰ যেন চিত্ত ।
আপুনি জানও তোৰ নালাগে কহিত ॥
কিন্তু সিটো পদ বাপ দুৰ্ল্লভ আনৰ ।
দেৱ-নৰ মুনি তিনি লোকৰ উপৰ ॥
চতুৰ্দ্দশ ভূবন তোমাৰ অবিনাশী ।
চতুৰ্দ্দশ ভুবন দেখিবা যাত বসি ॥
যাত গ্ৰহ-ঋষি-তাৰাগণ সমুদায় ।
যাত জ্যোতি চক্ৰ সমাহিতে প্ৰৱৰ্ত্তয় ॥
যাত ধৰ্ম্ম অগনি কাশ্যপ সত্ৰ আদি ।
অশ্বিনী প্ৰমুখে ঋষিগণ অপ্ৰমাদি ॥
আকল্প পৰ্যন্তে যাৰ নাহিকে অপায় ।
পাইবি সেই স্থান আত কোনো শঙ্কা নাই ॥
সম্প্ৰতি ৰাজ্যক চলি যাহো পিতৃপাশে ।
তোক ৰাজ্য দিয়া ৰাজা যাইব বনবাসে ॥
বুলনি যদ্যপি জেষ্ঠ উত্তম থাকোন্তে ।
সেহি ৰাজ্যে ৰাজা মই হৈব কেনমতে ॥
তাৰ কথা কহো তাক শুন সাৱধান ।
তোৰ ভাই উত্তম যাইবেক ঘোৰ বনে ॥

যক্ষে মাৰিবেক তাক একেশ্বৰ পাই।
তাৰ মাৱ সুৰুচি যাইবেক তাকে ধাই ॥
পুত্ৰৰ মৰণে তেহো ছাড়িবেক প্ৰাণ।
বনপোৰা জুইতে পুৰি হৈবেক নিৰ্ব্বাণ ॥
পাছে ৰাজ্য কৰি তুমি থাকিবা আপুনে।
ছত্ৰিশ হাজাৰে বৎসৰ পৰিমাণে ॥
কৰিবা অনেক যজ্ঞ দক্ষিণা নিপুণে।
ত্ৰিজগত ব্যাপিবেক তোৰ সদগুণে ॥
পাছে তুমি পুত্ৰক অৰ্পিয়া ৰাজ্যভাৰ।
তপোবনে চলি পাছে যাইবি হৰিদ্বাৰ ॥
পাছে আসি পাইবা মোৰ লোক উৎকৃষ্ট।
চতুৰ্দ্দশ ভুৱনতো সবাতো বিশিষ্ট ॥
যাক পাইলে মুনিগণ নাসয় তুনায়।
অল্প তপস্যাত যাক দেখিতো নাপায় ॥
যেই মনে বাঞ্ছিলি লভিলি সেই থান।
ত্ৰৈলোক্যৰ পূজ্য যিটো বৈকুণ্ঠ সমান ॥
যাক নাপাৱন্ত সাধি ব্ৰহ্মা মহেশ্বৰে।
হেন থান ধ্ৰুব তোক দিলো দয়াভৰে ॥
ধ্ৰুবক মাধৱে যেৱে থান উদ্দেশিলা।
ধ্ৰুবো মাধৱৰ পাৱে পৰি প্ৰণামিলা ॥
চাহিয়া আছন্তে তাতে ভৈলা অন্তৰ্ধ্যান।
গৰুড়ত চড়ি লৰি গৈলা নিজ থান ॥
ধ্ৰুবে সবে মনোৰথ পাইলা মাধৱত।
তথাপি সন্তোষ আতি নভৈল মনত ॥

কুমৰৰ মনে বৰ ৰহিল অধৃতি ।
দুখমনে চলি গৈলা নগৰক প্ৰতি ॥
মৈত্ৰেয়ত পুনৰপি বিদুৰে পুছন্ত ।
কহিয়োক গুৰু মোত ইহাৰ সিদ্ধান্ত ॥
পৰমদুৰ্লভ পদ পাই মাধৱত ,
কেনে অসন্তোষ ভৈল ধ্ৰুৱৰ মনত ॥
বহুজন্ম আৰধি নাপাৱে যাক আনে ।
এবেজন্মে তাক গতি দিলা নাৰায়ণে ॥
তথাপিতো কেনে তাৰ মনত অধৃতি ।
কহিযোক গুৰু মোত ইহাৰ যুগুতি ॥
হৰিষ কালত কেনে বিষাদ তাহাৰ ।
কহিয়োক গুৰু মোত কাৰণ ইহাৰ ॥
মৈত্ৰেয়ে বোলন্ত শুনা কুৰু বীৰবৰ
যিকৰণে অসন্তেষ তাহাৰ মনৰ ॥
সপত্নী মাতৃৰ বাক্যে ভেদিল হৃদয় ।
তাতে উদবিগ্ন মন নুগুচে সদায় ॥
যদ্যপিতো মাধৱক সাক্ষাত কৰিল ।
তথাপিতো ধ্ৰুৱে মোক্ষপদ নবাঞ্ছিল ॥
ভকতি দুৰ্লভ পদ নবাঞ্ছিল মনে ।
বাঞ্ছিলা উত্তম থান মাতৃৰ বচনে ॥
সুৰুচিৰ বাক্য-বজ্ৰ সুমৰি মনন্ত ।
সুখুজিলা উৎকৃষ্ট পদ মাধৱত ॥
কৰন্ত কুমৰে পাছে মনত সন্তাপ ।
হৰি হৰি বিধি কি কৰিলো ঘোৰ পাপ ॥

একান্ত ভকতি কৰি সনন্দ প্ৰমুখে ।
চিৰকাল আৰধি নাপাৱে যাক দুখে ॥
ছয় মাসে পাইলো হেন হৰিপদ-ছায়া ।
হাতে পাই হৰাইলো বঞ্চিল মোক মায়া ॥
অধৃতি কৰন্ত ধ্ৰুবে মনত আসুখে।
তেজন্ত নিশ্বাস অতিশয় মনদুখে ॥
হৰি হৰি মোক কিনো বঞ্চিলেক বিধি ।
হাতে পাই যেন হৰুৱাইলো নৱনিধি ॥
যাক সেৱি পাৱে ঘোৰ সংসাৰৰ অন্ত ।
আগত সাক্ষাত ভৈলা হেন ভগৱন্ত ॥
নাসাধিলো মোক্ষ যেন মই মন্দভাগী ।
বিনাসী পদকে মাধৱত লৈলো মাগি ॥
জানিলো দেৱতাগণে আমাক মুহিল ।
তাসম্বাৰ সঙ্গী কৰি আমাক ৰাখিল ॥
পূৰ্ব্বে নাৰদৰ মই বাক্য নধৰিলো ।
আৱাল কালত তপোবনে চলি আইলো ॥
সমস্ত ব্ৰহ্মাণ্ড ভাণ্ড মায়াৰ নিৰ্ম্মাণ ।
বিনাসী বস্তুকে খোজো ময়োতো অজ্ঞান ॥
দেখ দেখ ইটো মোৰ কেন মন্দবুদ্ধি ।
মৰন্তা নোখোজে যেন জীৱাৰ ঔষধি ॥
যেন কোনো প্ৰাণী কুবেৰক কৰি তুষ্টি ।
দুইহাত পাতি মাগে খুদ এক মুঠি ॥
ময়ো সেইভাৱে মাধৱক লাগ পাই ।
মাগিলোহো মনোৰথ মোক্ষক নচাই ॥

কৰিলা অনেক খেদ ধ্রুব মহামানী ।
চলিলন্ত মাধৱৰ আজ্ঞা মনে মানি ॥
শুনিয়ো বিদুৰ কহো স্বৰূপ বচন ।
তোমাৰে সদৃশ যত আছে মহাজন ॥
আছোক ঐশ্বৰ্য্য মোক্ষপদো নবাঞ্ছয়
কেৱলে কৃষ্ণৰ পদসেৱাত বিনায় ॥
শুনিয়ো বিদুৰ কথা আত অনন্তৰ ।
এহিমতে যান্ত কৃষ্ণ ৰাজাৰ কুমৰ ॥
প্ৰৱেশ ভৈলন্ত গৈয়া ৰাজা'ৰ নগৰে ॥
দেখি নৃপতিত গৈয়া জ'ন দিলা চাৰে ।
শুনিয়োক মহাৰাজ বচন আমাৰ ॥
তপস্যাৰ হন্তে আইলা কুমাৰ তোমাৰ ।
শুনা সভাসদ পদ ভাগৱত কথা ॥
দুৰ্লভ মনুষ্য জন্ম নকৰিয়ো বৃথা ।
ৰাম কৃষ্ণ বুলি কৰা জন্মৰ সাফল ॥
শ্ৰীবিষ্ণুভাৰতী ভণে পাপৰ অনল ।

ধ্রুবৰ গৃহলৈ প্ৰত্যাৱৰ্ত্তন ।

দুলড়ী ।

চৰে যে কহিল কুমাৰ আসিল
শুনিয়া উত্তানপদ ।
শোক-দুখ মন দূতৰ বচন
নকৰিলা সাধুৰ্ব্বাদ ॥

পাঞ্চ বৎসৰৰ অল্পাল কুমৰ
একেশ্বৰে গৈলা বনে ।
সি কি এতকালে আছে আৰ ভালে
আসিব আমাৰ থানে ॥
কাক বা দেখিলে একো নিচিনিলে
আসি জান দিলে মোক ।
পাসৰি আছিলো দুনাই সুমৰাইলে
পুত্ৰৰ দাৰুণ শোক ॥
পুনৰ্পি দূতে বোলে সত্য কৰি
আসিল ধ্ৰুৱ নিশ্চয় ।
নাৰদৰ বাক্য সুমৰি নৃপতি
গৈলন্ত পাছে প্ৰত্যয় ।
দূতক আহ্লাদ কৰিয়া প্ৰসাদ
দিলা আতি তুষ্টমনে ॥
ৰাজাৰ গাৰত আছিলেক যত
বস্ত্ৰ অলঙ্কাৰ মানে ।
পাছে সৰসাজে সাজি সমৰাজে
চলি গৈলা নৃপবৰ ।
চৰ উপদেশ চলিলা নিশেষে
যি পন্থে আসে কুমাৰ ॥
বাচি বাছি বাজী ৰথ লৈলা সাজি
কনকে মণ্ডিত গাৱে ।
বেগে বায়ুসম একো তুৰঙ্গম
বায়ুতো নেদয় পাৱ ॥

প্ৰধান প্ৰধান হস্তী যতমান
লগে লৈলা সাজিপাৰি ।
ঘণ্টাৰ আস্ফাল কৰ্ণে মাৰে তাল
যেন পৰ্ব্বতৰ শাৰী ॥
একো একো ঘোৰ বেগে বায়ু জোৰ
সুবৰ্ণৰে অলঙ্কাৰ ।
সুজান ৰঙ্গতে খেদাৱয় দ্ৰুতে
দেখি অতি চমৎকাৰ ॥
পদাতি সকলে ভূমি পায়ে চলে
হাতে খাণ্ডাবাক তুলি ।
পাৰয় আটাস শুনি লাগে ত্ৰাস
হাহা হুহু বুলি বুলি ॥
ধ্বজ দণ্ডচয় তুলি নচাৱয়
প্ৰজা দশোদিশে চানি ।
যেই যৈতে পাৰে তাতে বসি বাৱে
অসংখ্য শঙ্খৰ ধ্বনি ॥
কাহালি মহৰি বীণা বাসী ভেৰি
অসংখ্য ভেৰুৰ ডাক ।
মৃদঙ্গ মন্দিৰ তাল কৰতাল
দিণ্ডিম ডগৰ ঢাক ॥
অসংখ্য ব্ৰাহ্মণ জ্ঞাতি পৰিজন
যাই নৃপতিৰ সঙ্গে ।
যত নাৰীনৰ বজাইল সত্বৰ
ধ্ৰুবক দেখিতে ৰঙ্গে ॥

প্ৰজাৰ পাৱৰ ধূলি নিৰন্তৰ
উঠে দশোদিশ ছানি।
পৃথিবী পাতাল স্বৰ্গকো লঙ্ঘিল
ব্ৰাহ্মণৰ বেদ ধ্বনি ॥
ৰাজাৰ কাচতে একে চৌদোলতে
যান্ত দুয়ো মহাদৈই।
নানা অলঙ্কাৰে মণ্ডি কলেৱৰে
উত্তমক কোলে লই ॥

ছবি।

এহিমতে নগৰৰ বাজ ভৈলা নৃপবৰ
দিব্য উপবনে প্ৰবেশিলা।
ধ্ৰুব আসা ভূমি পাই দেৱদিব্যমানকায়
বিদূৰতে নৃপতি দেখিলা ॥
জাম্প্য দি ৰথৰ হন্তে আগবাঢ়ি লৱৰন্তে
ধ্ৰুবক সাৱটি ধৰিলন্ত।
বদনে বদনে চুম্বি নাসায়ে মস্তক শুঙ্গি
সুদীৰ্ঘ নিশ্বাস তেজিলন্ত ॥
কৃষ্ণৰ চৰণ চুই আসি আছা শুদ্ধ হুই
এৰাই আছা সংসাৰৰ বন্ধ।
প্ৰেমে পুলকিত তনু আলিঙ্গিয়া পুনু পুনু
হৰিষে কৰন্ত শিৰ-ঘ্ৰাণ ॥

আলিঙ্গিয়া কুতুহলে দুয়ো নয়নৰ জলে
তিয়াইলন্ত ধ্ৰুৱৰ শৰীৰ ।
কিবা কৰিবন্ত আৰ আনন্দৰ নাহি পাৰ
কৃতকৃত্য ভৈলা মহাবীৰ ॥
ধ্ৰুৱে পাছে অৱনতে নৃপতিৰ চৰণতে
দণ্ডৱতে পৰি প্ৰণামিল ।
উঠা উঠা বাপু বুলি আশ্বাসিয়া কোলে তুলি
মাথে হস্ত দিয়া অসংশিলা ॥
পাছে ধ্ৰুৱে জানুশিৰে সুৰুচি সুনীতি দুইৰ
চৰণত পৰি প্ৰণামিল ।
মহন্তৰ অগ্ৰগণী ভকতৰ শিৰোমণি
পূৰ্ব্ব দোষ-গুণ নেদেখিল ॥
উঠ উঠ পুত্ৰ বুলি সুৰুচিয়ো কোলে তুলি
সাৱটি ধৰিলা গলা বান্ধি ।
দুয়ো নয়নৰ নীৰে তিয়াইলন্ত সশৰীৰে
স্নেহবন্ধে মকমকি কান্দি ॥
পুৰ্ব্বে সুৰুচিৰ যেন সতিনীৰ পুত্ৰ হেন
ঈৰিষা আছিল হৃদয়ত ।
সম্প্ৰতি ধ্ৰুৱক পাই সিসব কপট নাই
আপোনাৰ পুত্ৰ যেন মত ॥
যিটো মাধৱৰ পাৱে আৰাধিয়া ভক্তি ভাৱে
কৰিলেক ঈশ্বৰ সাক্ষাত ।
হৰি বৈশ্য ভৈলা যাৰ ই তিনি ভুৱনে তাৰ
কোনো বশ্য নহৈবেক তাত ॥

নানা দিশ দিশান্তৰ নদীচয় নিৰন্তৰ
যেন সবে সমুদ্ৰকে যায় ।
সেহি ভাবে পুৰুষৰ হৰি তুষ্ট ভৈলা যাৰ
তিনিয়োজগতে বশ্য হয় ॥
শুনা সামাজিক যত ইটো মহাভাগৱত
জানা সবে শাস্ত্ৰৰ নিৰ্ণয় ।
যাতে তুষ্ট দামোদৰ তাতে তুষ্ট চৰাচৰ
আও কিছো নকৰা সংশয় ॥
হেন জানি সৰ্ব্বক্ষণে কৃষ্ণৰ চৰনে মনে
কৰা সবে একান্ত ভকতি ।
শ্ৰীবিষ্ণুভাৰতী ভণে হৰি বোলা ঘনে ঘনে
আন একোমতে নাই গতি ॥

ধ্রুবৰ ৰাজ্যাভিষেক

পদ ।

অনন্তৰে উত্তমে ধ্রুবক দেখি কান্দি ।
অন্যো অন্যে দুইকো দুই ভাই গলা বান্ধি ॥
চিৰকালে দেখাদেখি ভৈলা দুয়ো ভাই ।
পুলকিত অঙ্গ আনন্দৰ সীমা নাই ॥
পাছেসে সুনীতি সতী ধ্রুবৰ জননী ।
মৃতক তনুত প্ৰাণ সম্পাজিল যেনি ॥

ধ্ৰুৱক কোলাত লৈয়া কৰি শিৰঘ্ৰাণ।
স্নেহে গলা বান্ধি দিলা মুখত চুম্বন॥
পুত্ৰস্নেহে সুনীতিৰ দুয়ো স্তন স্ৰৱে।
হৰিষতে দুয়ো নয়নৰ নীৰ বহে॥
তিয়াইলন্ত ধ্ৰুৱৰ সমস্তে কলেবৰ।
এৰাইলন্ত দুখ সতী পুত্ৰ বিৰহৰ॥
সিবেলাত লোকে সুনীতিক প্ৰশংসিল।
ধন্য ধন্য মহাদই পুন উপাৰ্জ্জিল॥
যাহাৰ প্ৰসাদে দুখ খণ্ডিল সকলে।
ৰাজধৰ পুত্ৰ পাইলা কিনো ভাগ্যবলে॥
ছয়মাস আছা গৈয়া নিৰ্জ্জন বনতে।
মৰিল কুমৰ যেন সবাৰো মনতে॥
হৰিক আৰাধি সাধি পাইলা তুষ্টবৰ।
যিহেতু অপুন ঘৰে আসিল কুমৰ॥
এতেকে তোমাত জানো তুষ্ট ভগৱন্ত।
যাক চিন্তি পাৰে নৰে সংসাৰৰ অন্ত॥
হেন হৰি জানিলো তোমাত অনুগত।
যাতো তযু পুত্ৰ হৰি ৰাখিলা বনত॥
এহিবুলি সবে সুনীতিক প্ৰশংসয়।
ধ্ৰুৱক প্ৰশংসি সবে বৰে জয় জয়॥
পাছে মহাৰাজা নগৰক চলি গৈলা।
হাথীয়াৰ সবক নৃপতি আদেশিলা॥
উচ্চ চাই হস্তনী গোটক আন বাছি।
বস্ত্ৰ অলঙ্কাৰে সৱে দিব্য কাছে কাচি॥

ধ্রুবক আনিয়া সবে তাহাতে তোলোক ।
আসিল কুমৰ মোৰ সবহি দেখোক ॥
ৰাজাৰ আদেশে সেইমতে দুয়ো ভাই ।
হস্তিনীত তুলি আগকৰি লৈয়া যয় ॥
দশোদিশে বেঢ়ি নটে ভাটে তুতি কৰে ।
মহা মহোৎসৱে আসি পশিলা নগৰে ॥
ধ্রুব আসিলেক হেন শুনি নিৰন্তৰ ।
সালঙ্কৃত কৰিলেক সমস্তে নগৰ ॥
সাঞ্জি মাঞ্জি পবিত্ৰ কৰিলা বিতোপন ।
অগৰু চন্দনে লিপি দিলা আলিপন ॥
শাৰী শাৰী পুতিল তোৰণ অসংখ্যাত ।
মগৰ আকাৰ মুখ গঢ়ি আছে তাত ॥
কতো বাঘ ঘোং কতো সিংহৰ আকাৰ ।
দশন প্ৰকটি আছে দেখি চমৎকাৰ ॥
লহলহ কৰে জিহ্বা আৰক্ত দেখি ।
চাই যেন আছে মাণিকৰ দুই আখি ॥
হেন সবে তোৰণ দেখন্তে মনোহৰ ।
কতো সুবৰ্ণৰ কতো শুদ্ধ ফটিকৰ ॥
সুবৰ্ণে নিৰ্ম্মল দণ্ড পতাকা চিৰল ।
কতো শীত পীত কতো পিয়ল ধৱল ॥
কনকে ৰচিত ধ্বজ উচ্ছৃত সাক্ষাত ।
উপৰে চামৰ দীৰ্ঘ নেত হালে তাত ॥
চৰ সমে কল আনি ৰুইল গাছে গাছে ।
জকমককৰি তাত কল পকি আছে ॥

তাতে শাৰী শাৰী গাছ কইলা তামুলৰ ।
হাত মেলি পাই যেন ধৰি আছে চৰ ॥
পদূলি পদূলি সুবৰ্ণৰ গছা পাতি ।
সুবৰ্ণৰ ডালাত ঘৃতৰ দিলা বাতি ॥
সুবৰ্ণৰ ঘটত সম্পুৰ্ণ কৰি জল ।
বুট দালি দিয়া উপৰত দিয়া ফল ॥
সিঞ্চিল অনেক আনো অক্ষত অঙ্কুৰ ।
দধিদুগ্ধ ইক্ষু আখই মোদক প্ৰচুৰ ॥
থানে থানে চন্দ্ৰতাপ আৰিল বহুল ।
মুকুতা মুৰাৰি থোপা চামৰ গাউল ॥
দুয়ো হাটি গৃহ যেন পৰ্ব্বত আকাৰ ।
নাই বেতবাস তাত খেৰৰ সঞ্চাৰ ॥
সমস্তে জগতি ঘৰা কৰে ফটফট ।
উপৰত শাৰী শাৰী সুবৰ্ণৰ ঘট ॥
চৌখুটি চোখুটি আছে পসাৰ অনেক ।
হীৰা মণি মৰকত বিকয় প্ৰত্যেক ॥
অগৰু কুঙ্কুম বিকে বসনভূষণ ।
লবঙ্গ জাইফল বিকে গন্ধ গাঠিয়ান ॥
আনো নানা বিধ তাত বিকে ফল ফুল ।
শিল্পি নানাবিধ তাত কৰ্পূৰ তাম্বুল ॥
নৰনাৰী পিন্ধি সবে বস্ত্ৰ অলঙ্কাৰ ।
অগৰু ধূপৰ ধুম্ৰে নগৰ আন্ধাৰ ॥
মাজে মাজে আছে তাত দিঘী সৰোবৰ ।
বিচিত্ৰ সুন্দৰ জল দেখি মনোহৰ ॥

খট খটি বান্ধি আছে শুদ্ধ ফটিকৰ ।
নানা পুষ্প ৰঞ্জি আছে চাৰিও কাষৰ ॥
লৱঙ্গ মালতী জাই যুতি অসংখ্যাত ।
তগৰ বকুল নাগেশ্বৰ পাৰিজাত ।
যেন পুষ্পসকলে পুষ্পিত সৰোবৰ ।
কমল উৎপল পদ্ম কুমুদ কহ্লাৰ ॥
আনো নানা উপবন আছে ঠাই ঠাই ।
পৰম উৎসৱ দেখি যেই ভিতি চায় ॥
প্ৰথমে পশিল ধ্ৰুব বাহিৰ দুৱাৰ ।
সুৱৰ্ণ কপাট বাট আটোপ টঙ্কাৰ ॥
আগ আছে বেঢ়ি আসে চতুৰঙ্গ দলে ।
নাচে গাৱে বাৱে প্ৰজা অতি কুতূহলে ॥
অনেক ব্ৰাহ্মণে বেঢ়ি কৰে বেদধ্বনি ।
দুন্দুভি শবদে কাৰো বচন নুশুনি ॥
দুইশাৰী চাৰু নাৰী গৃহৰ উপৰে ।
পুষ্প দূৰ্ব্বাক্ষত সিঞ্চি আশীৰ্ব্বাদ কৰে ॥
দশোদিশে বেঢ়ি সবে পাৰয় উৰুলি ।
আশংসা প্ৰশংসা কৰে শুভ শুভ বুলি ॥
ধ্ৰুৱৰ চৰিত্ৰ-গীত গাৱে দশোদিশে ।
তাক শুনি যান্ত ধ্ৰুবে মনত হৰিষে ॥
পূৰ্ণচন্দ্ৰ সম শোভে বদন মণ্ডল ।
ৰূপে কাম সম ধৈৰ্য্য যেন আখণ্ডল ।
এহিমতে ধ্ৰুব গৈয়া প্ৰবেশিলা ঘৰ ।
নানাৰত্নে বিৰচিত দিব্য আৱাসৰ ॥

নাৰদেতে বাৰ্ত্তা পাই ধ্ৰুবক নিৰন্ধে।
সজাইল আৱাস ৰাজা অনেক প্ৰৱন্ধে॥
অনেক মন্দিৰ আছে একো আৱাসতে।
থলি খান নিৰ্ম্মি আছে মহা মৰকতে॥
গৃহৰ যতেক ভিঠি কনকে ৰচিত।
পুৰুষৰ আগ হাত সমান উচ্চৃত॥
ফটিকৰ বাৰ দ্বাৰ হীৰায় ৰচিত।
মণিময় স্তম্ভে গৃহ দেখন্তে উচ্চৃত॥
সুৱৰ্ণৰ কাঠি-কামি ৰূপাৰ মাণ্ডলি।
হস্তীদন্তে মৎস্যদন্তে গৃহৰ কৰলি॥
ৰূপাৰ পাটিকা পিঠি চাই আছে তুলি।
চৌপাশে সোণাৰূপা দিলা জিলিমিলি॥
মুধাত সোণাৰ ঘট দেখিতে বিৰঙ্গ।
ফটিক পৰ্ব্বতে যেন সুৱৰ্ণৰ শৃঙ্গ॥
গৃহৰ ভিতৰে আছে যত নাৰীগণ।
জাতিত পদ্মিনী অঙ্গে দিব্য আভৰণ॥
যত পৰিচ্ছদ মানে শুদ্ধ সুৱৰ্ণৰ।
শয্যাচয় পৰি আছে মণি মাণিকৰ॥
দুগ্ধৰ ফেন যেন বিছনা কোমল।
অগুৰু কস্তুৰি গন্ধে কৰে মলমল॥
উপৰত দিব্য যত প্ৰকাশে বিতান।
মুকুতা মুৰাৰি থোপা হালে বিদ্যমান॥
ৰত্নৰ প্ৰদীপচয় প্ৰকাশয় আতি।
গৃহৰ ভিতৰে নজানিয়া দিনৰাতি॥

হেন মহা মনোহর ধ্রুবর আরাম।
দেবর বিমান যেন করয় প্রকাশ॥
আরাস ভিতরে যত আচয় পুখুরী।
কাষর পালম্পি জল আছে ভরিপুরি॥
চারিভিতি পার তার সোণায় বান্ধিল।
অনেক বাথরে ঘাটবাট বান্ধি দিল॥
জলপুষ্পচয় ফুলি ফুলি আছে তাত।
উৎপল কমল ইন্দিবর অসংখ্যাত॥
পদ্মর সুরভি গন্ধে মোহে বহুদূর।
মধুলোভে মধুকর ভ্রময় প্রচুর॥
জলচর পক্ষী তাতে পরি করে কেলি।
বক বিহঙ্গম হংস চকোর শরালি॥
তারে পারে পারে নির্ম্মি আছয় উদ্যান।
নানা ফলেফুলে সুমণ্ডিত উপবন॥
সুরভি সুগন্ধি সদা বহে মন্দ বাত।
যেই ফলফুল খুজি সেই পায় তাত॥
নানাবিধ পক্ষী তাতে পরি ভেজে নাদ।
সাকসুয়া ময়না কোকিল ভরদ্বাজ॥
অনেক যুবতী ফুরে তার মাজে মাজে।
রত্নময় নুপূরে ভূষিত সব সাজে॥
গায়ে পুলকিত গীত তালযন্ত্র বাই।
লীলা গতি করি ফুরে কন্দুক খেলাই॥
খেলে চকোর কতো জুরা পাশা শারী।
থানে থানে খাট তুলি বিছাই আছে পারি॥

থানে থানে অসংখ্যাত ৰতন ভাণ্ডাৰ।
ষড়ৰস ভক্ষ্য ভোজ্য বিবিধ সম্ভাৰ।
হেন আৱাসত সুখে থাকিয়া কুমৰ।
স্বৰ্গত ক্ৰীড়ন্ত যেন দেৱ পুৰন্দৰ॥
ভৈলন্ত প্ৰবুদ্ধ ধ্ৰুৱ অস্ত্ৰত শাস্ত্ৰত।
যথোচিতে প্ৰৱৰ্ত্তন্ত সমস্তে লোকত॥
নাহি কোপতাপ ছলছিদ্ৰ মনুষ্যাক।
সমানত মৈত্ৰি কৃপা কৰা দৰিদ্ৰক॥
দেৱদ্বিজ গুৰুৰ সেৱাত বৰ ৰতি।
সদায়ে কৰন্ত হৰিচৰণে ভকতি॥
নৈৰন্ত আলাপ সদা বিষ্ণু বৈষ্ণৱৰ।
অনুচিতে পিম্পৰাৰো নিচিন্তন্ত মাৰ॥
সমস্ত লোকৰ মুখে ৰাজায়ো শুনয়।
ধ্ৰুৱ ৰাজা হৌক হেন মনত বাঞ্ছয়॥
ৰাজায়ো বিস্ময় দেখে ধ্ৰুৱৰ মহত।
আৰো নাৰদৰ বাক্য সুমৰি মনত॥
উত্তম আচাৰ দেখি পুত্ৰৰ স্বভাৱ।
হৰিষে নৃপতি পৃথিবীতো নেদে পাৱ॥
পাত্ৰ মন্ত্ৰী আমাত্য সুহৃদ আছে যত।
জ্ঞাতিবন্ধু পৰিজন সবাৰো সন্মত॥
আপোনাকো বৃদ্ধ হেন দেখিলা নৃপতি।
ধ্ৰুৱকো দিলন্ত সাতো দ্বীপা বসুমতী॥
সমস্তে তীৰ্থৰ জল কৰি এক থান।
ডাকি আনিলন্ত যত নৃপতি প্ৰধান॥

তাৰাসবো আনি ৰঙ্গে সম্ভাৰ দিলেক ।
মন্ত্ৰ পঢ়ি ব্ৰাহ্মণে কৰিলা অভিষেক ॥
সিবেলাত ভৈলা মহা উৎসৱ প্ৰধান ।
ব্ৰাহ্মণক অনেক দিলন্ত মহাদান ॥
সাতো দ্বিপৰ যত ৰাজা আসিছিল ।
বস্ত্ৰ অলঙ্কাৰ দিয়া সবাকো ভূষিল ॥
আনো যত নাটভাট গায়নবায়ন ।
দিলন্ত নৃপতি সবাহৰে পূৰি মন ॥
যত নৰনাৰী আছে ৰাজাৰ ৰাজ্যত ।
ধ্রুব ৰাজা ভৈল শুনি আনন্দ মনত ॥
নানাবিধ বাদ্যভাণ্ড দশোদিশে ধাৱে ।
ধ্রুবৰ নিৰ্ম্মল যশ দশোদিশে গাবে ॥
যিটো আসনত পূৰ্ব্বে উঠিব নোদল ।
নানাবিধ খৰ্ব্ব বাণী সুৰুচি বুলিল ॥
পাছে ধ্রুবে অপ্ৰয়াসে পাইলা নিৰন্তৰ ।
কোনোবা অসাধ্য আছে হৰি ভকতৰ ॥
ধ্রুবতে অৰ্পিয়া ৰাজা সবে ৰাজ্যভাৰ ।
দেখে গৃহবাস যেন বন্ধন আকাৰ ॥
পুত্ৰ দেহ ধনজন ৰাজ্যভাৰ যত ।
সোপনৰ নিধি যেন জাগিলে মনত ॥
আপুনিয়ো শুদ্ধ ভৈলা জানি অভিপ্ৰায় ।
তপোবনে চলি গৈলা মোক্ষক আশায় ॥
অনন্তৰে ধ্রুবে বিহাইলন্ত দুই কন্যা ।
ৰূপেগুণে সুলক্ষণী জগততে ধন্যা ॥

শিশুমাৰ নামে প্ৰজাপতিৰ নন্দনী।
ভূমি নামে কন্যা ৰূপে জগতমোহিনী॥
জাতিত পদ্মিনী শশীমুখী মধ্যাখিনি।
বাসৱৰ শচী যেন চন্দ্ৰৰ ৰোহিনী॥
তাত হন্তে ধ্ৰুৱে দুই পুত্ৰ উপাৰ্জ্জিলা।
কল্পক বৎসৰ দুইৰ দুই নাম থৈলা॥
ইলা নামে আৰো কন্যা বায়ুৰ নন্দিনী।
কমল নয়নী পীনস্তনী মধ্যাখিনী॥
ত্ৰিভূৱনে নাই সিটো কন্যাৰ উপমা।
ৰূপে সম নাই যাক ৰম্ভা তিলোত্তমা॥
উৎকল নামে জাত পুত্ৰ ভৈলা তান।
ৰূপে গুণে মানে তান ধ্ৰুৱৰ সমান॥
ভৈলা চক্ৰবৰ্ত্তী ৰাজা ধ্ৰুব মহাবলী।
দশ দিগপালো থাকে যাৰ আজ্ঞা পালি॥
মৈত্ৰেয়ে বোলন্ত শুনিয়োক আৰ কথা।
শ্ৰেষ্ঠ ভাই উত্তমৰ যি ভৈলা অৱস্থা॥
নৈয়ো বিহা হৱন্তে উত্তম মৰি গৈল।
পৃথিবীত তাৰ আৰ বংশ নৰহিল॥
একেশ্বৰে গৈলা মৃগ মাৰিবাক মনে।
বনতে তাহাক মাৰিলেক পুণ্যজনে॥
যক্ষে মাৰিলেক হেন নিশ্চয় নজানি।
পুত্ৰস্নেহে খেদি গৈলা তাহাৰ জননী॥
পুত্ৰৰ বৃত্তান্ত দেখি সুৰুচি সুন্দৰী।
বনপোৰা বহ্নিতে প্ৰবেশি গৈলা মৰি॥

ভাতৃৰ মাতৃৰ দুইৰো দেখি বিসঙ্গতি ।
যক্ষে মাৰিলেক হেন জানিয়া নৃপতি ॥
ভাই বধ দেখি ক্ৰোধ কৰি নৃপবৰ ।
যক্ষগণ বধ মনে চলিলা সত্বৰ ॥
বিষ্ণুভাৰতী বোলে শুনা সভাসদ ।
হৰি স্মৰি তৰিয়োক সংসাৰ আপদ ॥

যক্ষৰ লগত ধ্ৰুবৰ যুদ্ধ ।

দুলড়ী ।

বিদুৰক প্ৰতি মৈত্ৰেয় বদতি
শুনা পাছে যেন ভৈলা ।
উত্তমক যক্ষে মাৰিবাক শুনি
ধ্ৰুব ক্ৰোধে খেদি গৈলা ॥
ভ্ৰাতৃৰ সন্তাপ তাপে মহাবীৰ
ক্ৰোধে কৰি আসবিষ ।
যক্ষ মাৰিবাক মনে মহাবীৰ
চলিলা উত্তৰ দিশ ॥

কিৰীটি কুণ্ডল কৰি পৰিধান
হাতে ধৰি ধনুশৰ ।
বিজয় ৰথত চড়ি লৰি গৈলা
দ্বিতীয় যেন ভাস্কৰ ॥
হেন চমৎকাৰে আটোপ টঙ্কাৰে
পাইলা হেমৱন্ত গিৰি ॥
যাৰ অনুকূলে গুহ্যক সকলে
নিৰ্ম্মি আছে দিব্যপুৰী ।
নানা উপবন বিচিত্ৰ উদ্যান
থানে থানে জাতিষ্কাৰ ।
অশোক মন্দাৰ চম্প্যা নাগেশ্বৰ
কাঞ্চন কুন্দ অপাৰ ॥
সেৱতী মালতী বাগী জাই যুতি
পিয়লী বক বন্দুলী ।
কৰবীৰ ভেণ্টি মকৰাৰো আঞ্চ
পাৰলি মাধৈ খিয়ালী ॥
নানাবিধ ফল তাল নাৰিকল
আম আমলখী গাছে ।
খাজুৰি বদৰী সোলঙ্গ মধুৰী
ফলে ভৰিপূৰি আছে ॥
মহা মনোহৰ এক সৰোবৰ
জলে ফুলে ভৰি পূৰ ।
পুষ্প ৰেণু যত লৈয়া বহে বাত
গন্ধে মোহ বহুদূৰ ॥

নানাবিধ পক্ষী ফল ফুল ভক্ষি
আপোন ভাষে কটয় ।
পৰ্ব্বত উপৰে পালে পালে চৰে
অসংখ্যাত পশুচয় ॥
ঋষি সমস্তৰ আশ্ৰম বিস্তৰ
পৰ্ব্বতৰ কাছে কাছে ।
মোক্ষ অভিলাষী তীৰ্থ অভিলাষী
তাৰাসবো তৈতে আছে ॥
প্ৰধান প্ৰধান তীৰ্থ যতমান
তাৰে পৰা আসে বহি ।
পৰ্ব্বতৰ কান্তি দেখি হুয়া ভ্ৰান্তি
ধ্রুবে চাহি আছা ৰহি ॥
গুহ্যক গণৰ দেখি গড় দ্বাৰ
সাৰথিক বুলিলন্ত ।
মোৰ ভ্ৰাতৃবৈৰী গুহ্যক নগৰী
আজি মাৰি কৰো অন্ত ॥
তাৰে সন্নিহিত চাপিয়া ত্বৰিত
শঙ্খধ্বনি কৰিলন্ত ।
ঘোৰ শঙ্খ ৰাৱে প্ৰচণ্ড প্ৰভাৱে
দশোদিশ পূৰিলন্ত ॥
শঙ্খধ্বনি শুনি যক্ষগণ মনে
সবেয়ো গৈলা তৰাসি ।
গৰ্ভৱতী যত যক্ষিণী আছিল
তাৰো গৰ্ভ গৈল খসি ॥

ছবি

যক্ষগণে ক্ৰোধ কৰি সবে অস্ত্ৰ শস্ত্ৰ ধৰি
গড়ৰ বজাই দিলা কলি ।
ধ্ৰুবক একলা দেখি বেঢ়ি গৈলা দশোদিশি
কাট কাট মাৰ মাৰ বুলি ॥
তেনয় অযুত বীৰে একেবাৰে যুদ্ধ কৰে
তাক দেখি ধ্ৰুবে নসহিল ।
মস্তকক লক্ষ্য কৰি সমস্তকে একেবাৰে
তিনি তিনি শৰ প্ৰহাৰিল ॥
তিনিলাখ নৱৈ শৰ প্ৰহাৰিয়া বীৰবৰ
ভেদিলন্ত সবাৰ কপালে ।
পুচ্ছ খানি খানি মাত্ৰ উপৰত দেখি তাৰ
শৰ মানে সাঙ্গে গৈলা তলে ॥
একেবাৰে সবাহাকে তিনি তিনি শৰ মাৰি
ললাটতে ভেদিলা সন্ধানে ।
নৃপতিৰ পৰাক্ৰম অদভুত শৰশ্ৰম
দেখি প্ৰশংসিলা মনে মনে ॥
হেন দেখি যক্ষগণে অতিশয় শোক মনে
নসহিলা তান প্ৰভাবক ।
যেন কোনো একপ্ৰাণী কঙ্কালত লাথি হানি
জোকাইলেক অনেক সৰ্পক ॥

সেইমতে যক্ষগণে নৃপতিৰ বধ মনে
দশো দিশে প্ৰহাৰয় ঢাকি ।
শকতি মুষল শেল পৰিঘ পটিস ভল
ভিণ্ডিপাল নৰাচত্ৰকষ্টি ॥
তোমৰ তোসল শূল অৰ্দ্ধ চন্দ্ৰ কুন্ত কোল
ভূষণ্ডি নিষ্ট্ৰীস কৰিয়াই ।
পৰশু পৰিঘ ইষ্টি বেঢ়ি কৰে শৰ বৃষ্টি
সাসাক্ষে ধ্ৰুৱক থৈলা চাই ॥
ৰথ সূত ধনু তাৰ কাহাকো নেদেখি আৰ
ঢাকিলেক আগুৰে পাগুৰে ।
যেন পৰ্ব্বতক চানি অসংখ্যাত মেঘ লাগি
ঘোৰ বৃষ্টি কৰে নিৰন্তৰে ॥
তেনয় অযুত বীৰে একেবাৰে অস্ত্ৰ মাৰে
কেৱলে ধ্ৰুৱক মাত্ৰ ঢাকি ।
দেৱ সিদ্ধ বিদ্যাধৰে বেঢ়ি হাহাকাৰ কৰে
আকাশত বিমানতে থাকি ॥
মনুষ্যাৰ গুহ্যকৰ ঘোৰ যুদ্ধ ভয়ঙ্কৰ
দেখি দেৱাসুৰ ভয় ভৈলা ।
হা হা বিধি কিনো কষ্ট ধ্ৰুৱ সূৰ্য্য ভৈলা নষ্ট
যক্ষ সমুদ্ৰত তল গৈলা ॥
শুনিয়োক সভাসদ জানিবা নজানি পদ
নিৰন্ধিলো ইটো কৃষ্ণ কথা ।
পৰম আনন্দ কৰি সৰ্ব্বলোকে যত্ন কৰি
শুনিয়োক ইহাৰ সৰ্ব্বথা ॥

যতেক বিষয় আন তাত নেদিবাহা কাণ
জানি সবে তেজা যত্ন কৰি।
কৃষ্ণক চৰণ সেৱি শ্রীবিষ্ণুভাৰতী কবি
নিৰন্তৰে বোলা হৰি হৰি॥

পদ।

পাছে পুণ্যজনে বেঢ়ি দিলেক আটাস।
মৰিলে নৃপতি আজি জীয়ন্তে নযাস॥
হেন শুনি ধ্রুবে ধৰি দিব্য ধনুখান।
যক্ষৰ অস্ত্রক লাগি প্রহাৰিলা বান॥
তৃণক উৰায়ে যেন প্রচণ্ড বতাসে।
একে তিলে সবে অস্ত্র কৰিলা বিনাশে॥
তাসম্বাৰ অস্ত্রে আন নচাপিল পাশ।
সূৰ্য্যৰ প্রকাশে যেন কুহুৰি বিনাশ॥
ভৈলন্ত উদয় ধ্রুব প্রচণ্ড আদিত্য।
দেখি যক্ষগণে পুনৰপি ভৈলা ভীত॥
ধনুৰ টঙ্কাৰ ঘোৰ শুনি ভয়ঙ্কৰ।
সচকিত ভৈলা যক্ষগণ নিৰন্তৰ॥
পুনৰপি ধ্রুবে শৰ প্রহাৰ কৰিল।
বৃক্ষগণ ঢাকি যেন মেঘে বৰিষিল॥

ধ্রুবৰ ধনুৰ হন্তে শৰ যাই চলি ।
যক্ষৰ শৰীৰে যাই পশে হলহলি ॥
যেন বজ্র প্রহাৰ কৰন্ত পুৰন্দৰ ।
পর্ব্বতকো ভেদি যাই পশে অভ্যন্তৰ ॥
সেইভাৱে ধ্রুবৰ যতেক শৰচয় ।
গোটে গোটে গুহ্যকৰ শৰীৰে পশয় ॥
পর্ব্বত সদৃশ একো যক্ষ ভয়ঙ্কৰ ।
একো তালউচ্চৃত চৰণ ভয়ঙ্কৰ ॥
শাল তাল সম বাহু আজানু লম্বিত ।
গিৰি শৃঙ্গ সম মাথা দেখি ভয় ভীত ॥
ধ্রুবৰ প্রহাৰে পৃথিবীত ঢলি পৰে ।
গিৰ গিৰ কৰি সাতো দ্বীপ ভূমি লৰে ॥
কিৰীটি কুণ্ডল মণি পাগুৰি সহিতে ।
হেন সব শিৰ কাটি পেলাইলা মহীতে ॥
অলঙ্কাৰে মণ্ডিত কাটিল বাহুচয় ।
ধৰণীত পৰি ৰণ ভূমি প্রকাশয় ॥
কাৰো কঙ্কালতে কাৰো উৰুতে কাটিল ।
হাত পাৱ কাটি কাৰো চৌৰাঙ্গি কৰিল ॥
ছেদি ভেদি খেদি কাটিলন্ত নিৰন্তৰে ।
ৰণ ভঙ্গে যক্ষগণ পশিল নগৰে ॥
পলায় গুহ্যকগণ পাছক [illegible] ।
সিংহ ভয় যেন হস্তীযুথ পলাই যায় ॥
হতশেষ যক্ষ যেবে পশিল নগৰ ।
ৰণমধ্যে কাহাকো নেদেখি নৃপবৰ ॥

সাৰথিক বোলন্ত সত্বৰে ডাক ৰথ ।
ভ্রাতৃবৈৰী যক্ষগণ পেশো যমপথ ॥
এহি বুলি নগৰকো লাগি খেদি যান্ত ।
দ্বাৰত থাকিয়া শঙ্খধ্বনি কৰিলন্ত ॥
শঙ্খধ্বনি শুনি যক্ষগন ভয়ভীত ।
পাতিলেক মায়া ময়দানবে নির্ম্মিত ॥
প্রচণ্ড বতাস ঘোৰ বহে চক্রাকাৰে ।
দশোদিশে ঢাকিলেক ধুলায়ে আন্ধাৰে ॥
খোলা খাপৰ দশোদিশে ছানি উৰে ।
ডাল মূল ভাগি বৰ বৰ বৃক্ষ পৰে ॥
মাংস ৰুধিৰ নখ কেশ অস্থিচয় ।
পূজ শোণিত বিষ্ঠা মুত্রে বৰিষয় ॥
জল বৃষ্টি শিলা বৃষ্টি বৃক্ষ বৃষ্টি কৰে ।
কর্ণে তাল মাৰে শুনি নির্ঘাত প্রহাৰে ॥
কতো ব্যাঘ্র সিংহ ঘোণ্ড আসে জাকে জাক ।
মুখ মেলি গর্জ্জি আসে বাজাক খাইবাক ॥
লহ লহ জিহ্বা মেলি নিকট দশন ।
ভয়ঙ্কৰ আখি দেখি জ্বোণ্ড কুণ্ড যেন ॥
পর্ব্বত সমান হস্তী হাজাৰে হাজাৰে ।
উপৰক মুণ্ড তুলি ধাৱে একেবাৰে ॥
ফেট তুলি সর্পগণে আসে দংশিবাক ।
ফোকাৰন্তে অগনি নিকলে জাকে জাক ॥
বৰ বৰ পৰ্ব্বত স্বৰ্গৰ পৰা পৰে ।
গিৰ গিৰ শব্দে সমস্তে মহী লৰে ॥

নৃপতিক ঢাকি সবে করে অস্ত্রবৃষ্টি ।
পরিঘ তোমার গদা শক্তি শূল যষ্টি ॥
ত্রিকণ্টি ত্রিশূল শূলকুন্ত কোলকাল ।
পরশু মুষল চক্রভল্লু ভিন্দিপাল ॥
বৎস বৎস দন্ত খুর খুর কলিয়াল ।
ফলিমুখ অস্ত চন্দ্রগ্রাস রবিজাল ॥
নরাচক নিয়াল আগুনি কণিকাষ ।
সুপাট বিপাট খর্গ সৈন্য চন্দ্রহাস ॥
আনো নানা অস্ত্র সব পরয় সন্ধানে ।
পৃথিবীত পরি তল যাই পুংসমনে ॥
মহা মেঘগণে ঢাকি করিলা আন্ধার ।
বাহু মেলি নেদেখয় বাহু আপোনার ॥
চিকিমিকি করি মেঘে বিজুলি প্রকাশে ।
ভয়ঙ্কর নাদে গুর্ব্বিনীর গর্ভ খসে ॥
অসংখ্যাত রথী খেদি আসে অস্ত্রধরি ।
অনেক রাহুত আসে ঘোটকত চড়ি ॥
অসংখ্য পদাতি আসে খাণ্ডা বাক তুলি ।
নৃপতিক লাগি ধাৱে কাট কাট বুলি ॥
অনেক কৱন্ধ আসি আগত মিলয় ।
কিল কিল করি বাহু মেলি খেদি যায় ॥
গির্ গির্ করে ধাৱে অনেক চামুণ্ডা ।
গাণ্ডি মুণ্ড পুণ্ডাদীর্ঘ তণ্ডা মুণ্ডা লণ্ডা ॥
আকাশ লঙ্ঘিয়া জ্বলে প্রচণ্ড অগনি ।
নৃপতিক বেঢ়ি আসে দশোদিশ ছানি ॥

পৃথিবী ঢাকিয়া কতো বেঢ়ি আসে জল ।
একো একো ঢৌ যেন পৰ্ব্বত সচ্চল ॥
মৈত্ৰেয় বদতি শুনা কুৰু বীৰবৰ ।
মহাবলী ধ্ৰুব অকম্পান ধনুৰ্দ্ধৰ ॥
যত যত মায়া কৰে গুহ্যক সকলে ।
সমস্তে নৃপতি চাহি আছা অবিকলে ॥
যাৰ উগ্ৰ তপৰ মহিমা বিপৰীত ।
দেখি ব্ৰহ্মা মহেশ্বৰো ভৈলা ভয় ভীত ॥
নিজৰূপে যাক দেখা দিলা নাৰায়নে ।
তাকো মায়া কৰে কৈৰ গুহ্যক দুৰ্জ্জনে ॥
সেই বেলা আকাশত থাকি মুনিগণ ।
ধ্ৰুবক আশংসি সবে বোলন্ত বচন ॥
শুনিয়ো উত্তানপাদ ৰাজাৰ কুমৰ ।
তোমাৰ বিপক্ষগন মাৰি নিৰন্তৰ ॥
ৰাখিবা তোমাক ভৃত্য ভয়হাৰী হৰি ।
এৰাৰে মৃত্যুক যাৰ নামমাত্ৰ স্মৰি ॥
এহি বুলি মুনিগণে দিলন্ত নিৰ্ভয় ।
শুনি মন তুষ্ট ভৈলা ধ্ৰুব মহাশয় ॥
আচন্ত কৰিয়া শুদ্ধ ভৈলা বিষ্ণু স্মৰি ॥
প্ৰচণ্ড কোদণ্ড খণ্ড বাম হাতে ধৰি ।
ৰাক্ষসৰ মায়া দূৰ কৰিবাক প্ৰতি ॥
নাৰায়ণ অস্ত্ৰ আনি জুৰে মহামতি ।
অখণ্ড প্ৰচণ্ড যমদণ্ড সমসৰ ॥
দেৱাসুৰ নৰ সৰ্ব্বজন ভয়ঙ্কৰ ॥

কলহংস পাখা দিয়া তাক আছে চাই।
শঙ্খগোট আছে শুক মুকুতা লগাই ॥
নানারত্নে গঠিত দেখন্তে শুশোভন।
অগ্রভাগে তীক্ষুত্তর বজ্রর সমান ॥
গুণত জোরন্তে মহী কম্পিল সকল।
আকাশ লঙ্ঘিল ঘোর সাগরর জল ॥
স্বর্গত নক্ষত্রগনে সবে সঞ্চরিল।
খণ্ড খণ্ড হুয়া মেঘগণ দূর হৈলা ॥
ঘোর অন্ধকার গুহ্যকর মায়া মানে।
দূর ভৈলা নারায়ণ অস্ত্রর সন্ধানে ॥
মূলমন্ত্র পঢ়ি অস্ত্র করিলা সন্ধান।
অস্ত্র হন্তে বাহিরাইলা কোটি কোটি বাণ ॥
অগ্নির ফুলিঙ্গা যেন যায় ঝাকে ঝাকে ॥
খেদি খেদি হানি মারে গুহ্যক সেনাক ॥
যেন কোনো জন্তুত লভিয়া মহাভয়।
জাকে জাকে মৈরা উরি বনত পশয় ॥
সেইভাবে অস্ত্রর নিকলি যত শর।
খেদি খেদি সেনা হানি মারে গুহ্যকর ॥
কারো হৃদয়ত পরি পেলাবে বখালি।
কতো গাণ্ডীমুণ্ডে পৃথিবীত থরে শালি ॥
সন্ধানে পরিয়া কতো বীর গৈলা মরি।
মুর্চ্ছা যাই কতো ধরণীত আছে পরি ॥
শুনিয়োক সর্ব্বজনে তেজি আন মতি।
যত্নে কৃষ্ণ-চরণত করিয়োক রতি ॥

বিগযৰ সুখ মানে কৰা উপশাম।
শ্ৰীবিষ্ণুভাৰতী ভণে বোলা ৰাম ৰাম ॥

ঝুমুৰি ঃ

শ্ৰুতি পাই কতোক্ষণে। দুৰ্জ্জন গুহ্যকগণে ॥
উঠি কাট মাৰ বুলি। পুনৰপি দিলা কুলি ॥
নানা অস্ত্ৰ-শস্ত্ৰ ধৰি। ধাৰে কাট মাৰ কৰি ॥
যেন ঘোৰ সৰ্পগণে। গৰুড়ক বন্ধ মনে ॥
ফনা তুলি আঁসে ধাই। মৰিবাকো শঙ্কা নাই ॥
অগ্নিত কৰিঙ্গা যাসে। যেন মৰিবাক আসে ॥
ধ্ৰুবক গৰ্জ্জন্তে যাই। আজি তোৰ ৰক্ষা নাই ॥
এই বুলি সবে আসি। যত গুহ্যকবাসী ॥
বেঢি দিলা অস্ত্ৰজাক। ধ্ৰুবে নগণিলা তাক ॥
পৰ্বতক মেঘচয়। যেন বৰিষয় ॥
হেন দেখি নৃপবৰ। যত অস্ত্ৰ গুহ্যকৰ ॥
প্ৰহাৰিয়া দিব্য বাণ। সমস্তে কৰিলা চূৰ্ণ ॥
তাসম্বাক নিৰন্তৰে। প্ৰহাৰিলা একেবাৰে ॥
কাৰো উৰু কৰ শিৰ। ছেদিলন্ত মহাবীৰ ॥
কাকো কঙ্কালত ছেদি। কাৰো হৃদয়ত ভেদি ॥
যত পুণ্যজন মানে। সকলে মৰিল প্ৰাণে ॥
বৈষ্ণৱ অস্ত্ৰত পৰি। মোক্ষপন্থে গৈলা লৰি ॥
নিজ কৰ্ম্মবন্ধ ছেদি। সূৰ্য্য-মণ্ডলাকো ভেদি ॥

মুনিৰো গতিক পাই। জ্যোতির্ম্ময় হুয়া যায় ॥
কতো পলাই প্ৰাণ-ভয়। তাকো অস্ত্ৰে নৰাখয় ॥
এহিমতে যক্ষগণ। মাৰি কৰিলন্ত ছন্ন ॥
খেদি নিলা দ্বাৰ সীমা। থাপি নেদন্ত ক্ষমা ॥
যেন গৰুড়ক ভয়। সৰ্পগণ অন্তৰয় ॥
যক্ষগণে নিৰন্তৰে। পলাই দশ দিশান্তৰে ॥
যিভিতি গুহ্যক যায় অস্ত্ৰে খেদি খেদি ৰায় ॥
শুনিযোক সৰ্ব্বজনে। সবে একচিত্ত মনে ॥
ভাগৱত কথা সাৰ। মহাপাপ ক্ষয়ঙ্কৰ ॥
মোক্ষপদ সাধিযোক। ৰাম-কৃষ্ণ ঘুষিযোক ॥
ইহ পৰলোকে গতি। জানি এৰা আন মতি ॥
বিষ্ণুভাৰতী ভণে। ৰামবোলা সৰ্ব্বজনে ॥

স্বায়ম্ভু মনুৰ লগত ধ্ৰুৱৰ সাক্ষাৎ

পদ।

এহিমতে যক্ষগণ মাৰি নিৰন্তৰ
খেদি নিযা থৈলা কতো নগৰ ভিতৰ ॥
ভাতৃবৈৰী বুলি তাৰ পাশ নচাৰয়।
নগৰকো মাৰি ছন্ন কৰিবাক চায়।
কোনবা গুহ্যকে উত্তমক মাৰিলেক।
তাৰ দোষে মাৰিলেক গুহ্যক অনেক ॥

তথাপি ধ্রুবৰ মনে শান্ত নাহিকয় ।
দেখিয়া স্বায়ম্ভু-মনু ব্ৰহ্মাৰ তনয় ॥
ধ্রুবক কৃপায় মনু আৰোহিয়া ৰথে ।
ঋষিগণ সমে আসি ভৈলা আথেবেথে ॥
ৰথৰ দীপিতি যেন সূৰ্য্যৰ কিৰণ ।
কনক কিঙ্কিনিচয় বাজে ৰণ জন ॥
মহা ঋষিগণে বেঢ়ি আছে চতুৰ্পাশে ॥
গ্রহগণ সমে যেন চন্দ্ৰমা প্ৰকাশে ॥
ব্ৰহ্মাৰ তনয় বেদ শাস্ত্ৰত নিপুণ ।
কি কহিবো আদি মনু স্বায়ম্ভুৰ গুণ
দেৱ-দীপ্যমান তনু কৰন্ত প্ৰকাশ ॥
ক্ষনেকে পাইলন্ত আসি নৃপতিৰ পাশ ॥
পিতামহ আসিলন্ত ধ্রুবেয়ো দেখিলা ।
আগবাঢ়ি জানু-শিৰে পৰি প্ৰণামিলা ॥
পাদ্য-অৰ্ঘ আচমনি মধুপৰ্ক দান ।
গন্ধে পুষ্পে পূজিয়া কৰিলা বহুমান ॥
কৰযোৰে পুছিলন্ত স্বায়ম্ভুক চাই ।
পিতামহ কি কাৰ্য্যে আসিলা মোৰ ঠাই ॥
ধ্রুবৰ ভকতি দেখি মনু তুষ্ট ভৈলা ।
প্ৰসন্নবদনে হাসি বুলিবাক লৈলা ॥
শুনা শুনা নাতি মই আইলো যিকাৰণে ।
তোৰ ক্ৰোধ দেখি মোৰ দুখ লাগে মানে ॥
কোনেবা তোমাৰ ভাতৃ নিল যমঘৰ ।
তাৰ দোষে মাৰিলি গুহ্যক নিৰন্তৰ ॥

বৈষ্ণৱৰ পথৰ বাপু মুহি ইটো ধৰ্ম্ম ।
হিংসক ব্যসন ইটো পাষণ্ডৰ কৰ্ম্ম ॥
আমাৰ বংশৰ ইটো মুহিকে উচিত ।
প্ৰাণী-বধ বিধি সাধুসবৰ নিন্দিত ॥
ক্ৰোধ অহঙ্কাৰ হিংসা পৈশুন্য যতেক ।
ইটো অজ্ঞানৰ কৰ্ম্ম জানিবা প্ৰত্যেক ॥
হেনজানি বাপু তই এৰ মন-কষ্ট ।
আৰ যক্ষগণ বৃথা নকৰিবি নষ্ট ॥
অনাদি ঈশ্বৰ যিটো দেৱ নাৰায়ণ ।
পায়ে পৰম্পাদ যাৰ আৰধি চৰণ ॥
যাহাক আৰধি তুমি লভিলা সম্পত্তি ।
তাঙ্ক দ্ৰোহ কৰা তুমি কমন যুগুতি ॥
যত চৰাচৰ দেখা সবে হৰিময় ।
পৰমাৰ্থ ৰূপে হৰি সবাতে আছয় ॥
হেন ঈশ্বৰক যিটো নজানে পামৰে ।
দেহৰ কুশল সাধি তাকে দ্ৰোহ কৰে ॥
কোটি কোটি জন্মে তাৰ নাহিকে নিস্তাৰ ।
জানি প্ৰাণী হিংসা বাপু নকৰিবি আৰ ॥
একে আত্মা কাকো নকৰিবি আত্মাপৰ ।
হৰিময় দেখিবি সমস্তে চৰাচৰ ॥
সমান জনৰ লাগে কৰিবি সখিত্ব ।
উত্তমকো মান্য কৰিবাহা যথোচিত ॥
দীন জন দেখি দায়া কৰিবা আশেষ ।
তোৰ তুষ্ট হৈবা সৰ্ব্বজীৱ হৃষীকেশ ॥

হৰি তুষ্ট ভৈল সুখে লভিবা মুকুতি ।
আৰো তোত কহো সাংখ্যযোগৰ সুগুতি ॥
মহা-পঞ্চভূতে হৰি স্ৰজন্ত সংসাৰ ।
প্ৰকৃতি পুৰুষ দুই ৰা সম্ভোগ ব্যৱহাৰ ॥
গুণৰ সংসৰ্গে সংসাৰত প্ৰৱৰ্ত্তয় ।
চুম্বক সহিতে যেন লোহাৰো অন্বয় ॥
সেহিমতে অধিষ্ঠান ৰূপে হৰি প্ৰভুৰ ।
আপোনাতে আপুনি স্ৰজন্ত নিৰন্তৰ ॥
বুলিবি সংসাৰে যদি একে আত্মা হয় ।
কি কাৰণে তেবে সুখ দুখ প্ৰৱৰ্ত্তয় ॥
তাহাৰ কাহিনী কহো শুনা মহাশয় ।
যি কাৰণে একে জীউ সুখী দুখী হয় ॥
কৰে শুভাশুভ কৰ্ম্ম গুণৰ ইচ্ছাই ।
কৰ্ম্ম অনুসাৰে জীৱ সুখী দুখী হয় ॥
সেহিভাৱে তিনি গুণে স্ৰজন্ত পালন্ত ।
বিষ্ণুৰ মায়াৰ কেহো নপাৱয় অন্ত ॥
জগতে সমস্তে সবে জনক জনন্ত ।
কালৰূপে পাছে সমস্তকে সংহৰন্ত ॥
কেহো বাদী কৰ্ম্মকে ঈশ্বৰ বুলি মানে ।
স্বভাৱকে ঈশ্বৰ বোলয় কেহো জনে ॥
কেহো বোলে কালে সে ঈশ্বৰ জগতৰ ।
কেহো বোলে দৈবৰ অধীন চৰাচৰ ॥
জনকৰো জনক মৃত্যুৰো মৃত্যু হৰি ।
একে ঈশ্বৰক মানে নানা ভাৱ কৰি ॥

কোনেৱা কাহাক মাৰে কোনেৱা ৰাখয় ।
যিটো আত্মা সিটো নমৰয় নুপজয় ॥
অহঙ্কাৰে কৰাই আছে দেহত সমুখ ।
শৰীৰক অভ্যাসে মানয় সুখ দুখ ॥
কৰ্ম্ম অনুসাৰে সবে সুখ দুখ পায় ।
কৰ্ম্ম অনুসাৰে সবে মৰে উপজয় ॥
হেন জানা তোমাৰ ভাই যক্ষে না মাৰয় ।
কৰ্ম্ম অনুসাৰে তাকো যমে সংহৰয় ॥
সৃষ্টি-স্থিতি সংহাৰৰ কৰ্ত্তা নাৰায়ণ ।
যাতো বৰ নাহি কিছু নাহিকে সমান ।
ব্ৰহ্মা মহেশ্বৰ ইন্দ্ৰ আদি দেৱগণ ।
যাহাৰ অধীন নাগ কিন্নৰ গন্ধৰ্ব্ব গণ ॥
পাঞ্চ বৎসৰতে শুনি মাতৃৰ বচন ।
পাইলা মহাগতি যাৰ আৰাধি চৰণ ॥
তেহেঁৰ চৰণে কৰি একান্তে ভকতি ।
লভিবা উত্তম জ্ঞান শুদ্ধ সত্ত্ব-মতি ॥
কোটি জন্মো সংসাৰ নুগুচে চিন্তাৰ ।
জ্ঞানেসে ঔষধ জানু সংসাৰ ব্যাধিৰ ॥
আৰু তোক কহোঁ এক উপদেশ হিত ।
কুবেৰৰে শঙ্কৰৰে পৰম সখিত্ব ॥
যক্ষগণ আকাৰ্য্যে মাৰিলি কুবেৰৰ ।
কুবেৰে খঙ্গিলে খঙ্গিবন্ত মহেশ্বৰ ॥
ঈশ্বৰৰ ক্ৰোধ সহিবেক কাৰ বাপে ।
সবংশকো নষ্ট কৰিবেক চণ্ড শাপে ॥

প্ৰীতি কৰি কুবেৰৰ কৰ মন শান্ত।
তেবে বা শঙ্কৰে শপি ভস্ম নকৰন্ত॥
এউ উপদেশ দিয়া মনু মহাশয়।
ৰথে চড়ি লৰি গৈলা আপুন নিলয়॥
মনুৰ বচন ধ্ৰুবে সাদৰিয়া মনে।
পুনৰপি প্ৰণামিলা মনুৰ চৰণে॥
ধ্ৰুবৰ সাদৰ পাই মনু তুষ্ট ভৈলা।
মুনিগণ সঙ্গে ৰঙ্গমনে চলি গৈলা॥
মৈত্ৰেয়ে বোলন্ত শুনা কুৰু বীৰবৰ।
মনুৰ বচনে ধ্ৰুবে থৈলা ধনুশৰ॥
আৰ যক্ষগণো একগোট নমাৰিল।
নাৰদৰ শিক্ষা আৰো মনত পৰিল॥
নমো নমো নাৰায়ণ অনাদি ঈশ্বৰ।
শঙ্খ-চক্ৰ গদা-পদ্মধৰ পীতাম্বৰ॥
গৰুড়-বাহন দয়াময় লক্ষ্মীপতি।
চৰণে প্ৰণামো মোৰ হৰিয়ো কুমতি॥
শুনা সভাসদ পদ কৃষ্ণৰ চৰিত্ৰ।
আতপৰে আনধৰ্ম্ম নাহিকে কলিত॥
হেন জানি বিষয়ৰ এৰিয়োক যত্ন।
হৰিৰ ভকতি ধৰিয়োক মহাৰত্ন॥
কবিৰত্ন সুত বিষ্ণুভাৰতী বদতি।
ৰাম কৃষ্ণ বুলি মুখে সুখে সাধা গতি॥

দুলড়ী।

মৈত্রেয় বদতি শুনা কুৰুপতি
যেন ভৈলা তাতপৰে।
যক্ষক নির্ভয় দিলা মহাশয়
হেন দেখি ধনেশ্বৰে॥
আতি অদভুত ধ্রুবৰ মহত
শুনিয়া পৰম ৰঙ্গে।
পুষ্প্যকত চড়ি তৈকে গৈলা লৰি
সিদ্ধি-মুনিগণ সঙ্গে॥
দিব্য হংস-যান পুষ্পক বিমান
সূর্য্যতো অধিক জ্বলে।
যত দেৱ-ভোগ তাতে উপযোগ
মনে মানসিলে মিলে॥
নানা ৰত্নময় জ্বলন্তে আছয়
চাহন্তো চক্ষু নভাসে।
মনোময় গতি দিবাতো নিশাতো
নানান জ্যোতি প্রকাশে॥
সিটো বিমানত গুণ আছে যত
বর্ণাই বোহো কতকাল।
তাতে চৰি ৰঙ্গে মুনিগন সঙ্গে
চলি গৈলা দিগপাল॥

সিদ্ধ বিদ্যাধৰ চাৰণ কিন্নৰ
চতুৰ্ভিতি স্তুতি কৰে ।
অখণ্ড মণ্ডল প্ৰকাশে ধৱল
ছত্ৰক শিৰ উপৰে ॥
আতি আড়ম্বৰে অনেক কিন্নৰে
বেঢ়ি যায় আগে পাছে ।
নানা ৰত্নময় ধ্বজ ছিন্নচয়
প্ৰকাশ কৰন্তে আছে ॥
তিনি ত্ৰৈলোক্যৰ ধনৰ ঈশ্বৰ
উত্তৰৰ দিগপাল ।
ধ্ৰুৱক দেখিতে উতাৱল চিত্তে
আসি পাইলা ততকাল ॥
ধ্ৰুৱৰ দীপিতি দেখি ধনপতি
পৰম বিস্ময় ভৈলা ।
কৃতাঞ্জলি ধৰি ধ্ৰুৱক সাদৰি
কুবেৰে বুলিবে লৈলা ॥
যদি ধনেশ্বৰ সমস্তত বৰ
দেৱতাৰো অধিকাৰী ।
তথাপি ধ্ৰুৱক বিষ্ণু ভকতক
সম্বুধিলা মান্য কৰি ॥
হে মহাৰাজ দেখি তৱ কাজ
ময়ো তুষ্ট ভৈলো বৰ ।
মনু বাক্য শুনি যিহেতু আপুনি
এৰিলাহা ধনুশৰ ॥

পূৰ্ব্বে মাধৱৰ চৰণ পদ্মৰ
তুমি পাই আছা ঘ্ৰাণ ।
সম্প্ৰতি সাক্ষাতে মনুৰ মুখতে
লভি আছা মহা জ্ঞান ॥
আমিয়ো তোমাক বোলো প্ৰিয়বাক
শুনিয়োক সাৱধানে ।
মৰন্তা মাৰন্তা কেহো কাকো নহে
জানিবা তুমি আপুনে ॥
তোমাৰ ভাতৃক যক্ষে নামাৰয়
যক্ষকো নামাৰা তুমি ।
কালৰূপে হৰি সবাকো সংহৰি
তাকো ভালে জানো আমি ॥
মনত ভাৱত থাকি অজ্ঞানত
সংসাৰত বন্ধ হই ।
নিজ আত্মা হৰি তাঙ্ক পৰি হৰি
দেহকে আত্মা বোলয় ॥
তুমি পুন্য ৰাজা আপুনি জানাহা
নাৰদৰ উপদেশে ।
সমস্তৰে জীৱ আত্মা সদাশিৱ
ভজিবা হৰি আৱশে ॥
যত চৰাচৰ হৰিসে সবাৰ
বন্ধৰ মোক্ষৰ হেতু ।
তান্তে ভক্তি কৰি সংসাৰ সাগৰে
বান্ধিয়োক দৃঢ় সেতু ॥

মায়াৰ আশয় আপুনি গুছয়
ভকতি প্ৰবেশ ভৈলে ।
লভি মহাজ্ঞান সংসাৰৰে ত্ৰাণ
হৈবা ৰাজা অবিৰলে ॥

ছবি

অনন্তৰে ধনেশ্বৰে নৃপতিক দায়ান্তৰে
বুলিলন্ত কৰিয়া সাদৰ ।
তোমাৰ মনৰ যত পুনু হৌক অভিমত
দেওঁ যত লাগে লৱা বৰ ॥
কিন্তু তুমি নৃপবৰ কৃষ্ণ পদ-পঙ্কজৰ
সেৱাতেসে ৰতি আছোঁ শুনি ।
পাছে সিটো নৃপবৰ বাক্য শুনি কুবেৰৰ
বুলিবে লাগিলা মনে গুণি ॥
হে ৰাজ ৰাজেশ্বৰ যদি মোক দিবা বৰ
শুনা তেবে গোচৰ আমাৰ ।
কৃষ্ণৰ চৰণে মন নেৰে যেন সৰ্ব্বক্ষণ
মুখে যেন তৰয় সংসাৰ ॥

ৰাজাৰ মনৰ কাজ শুনি পাছে দিগৰাজ
হৌক বুলি দিলা সন্নিধান ।
চাহি আছা নৰপতি বিমান সহিতে তৈতে
ততক্ষালে ভৈলা অন্তৰ্ধান ॥
অনন্তৰে ধ্রুবে আসি নিজ নগৰত বসি
কৰিলন্ত যজ্ঞ বহুত্তৰ ।
দেৱ দ্বিজ পিতৃগন সবাৰে তুষিলা মন
দিলা ৰাজা দক্ষিণা বিস্তৰ ॥
দ্রব্য দেশ-কাল কৰ্ম্ম দেৱ যজমান ধৰ্ম্ম
সমস্তৰে আত্মা নাৰায়ণ ।
একচিত্তে ভক্তি কৰি দেৱৰো দেৱতা হৰি
আৰাধিলা তাহান চৰণ ॥
যত জীৱ-চৰাচৰ হৰি আত্মা সমস্তৰ
জানি কাকো হিংসা নকৰন্ত ।
উত্তম অধম প্রাণী প্রকৃত লোকক জানি
যথোচিত ভাৱে প্রৱৰ্ত্তন্ত ॥

ধ্রুবৰ ৰাজ্য শাসন ।

দুলড়ী

প্রজাকে পুত্রকে সমানে দেখন্ত
নকৰন্ত উতপাত ।
দুখী ভিক্ষী দেখি পোষন্ত পালন্ত
যেন নিজ মাৱ বাপ ॥

শীতলতে জল প্ৰতাপে অনল
গম্ভীৰে যেন সাগৰ।
দানে কল্পতৰু জ্ঞানে সুৰগুৰু
পৰাক্ৰমে পুৰন্দৰ ॥
যত সদগুণ সবাতে নিপুন
দেৱ-দ্বিজ অনুগত।
জানি নিজ-ধৰ্ম্ম সদাচাৰ কৰ্ম্ম
ক্ষণিকো নোহয় পাত ॥
যত ধৰ্ম্ম শালি সমস্তকে পালি
আপুনি থাকন্ত ৰাজা।
কোনো উৎপাত নাহিকে ৰাজ্যত
মহাসুখে থাকে প্ৰজা ॥
সাতো যে দ্বীপৰ যত নাৰী নৰ
মনে মানে ইষ্ট বৰ।
ধ্ৰুৱেসে তাঙ্কৰ ৰাজা হৰন্তোক
যাৱে চন্দ্ৰ দিবাকৰ ॥
ছত্ৰিশ হাজাৰ বৎসৰ নৃপতি
অকণ্টকে ৰাজ্য কৰি।
যাগ-যজ্ঞ যশে দান-ব্ৰত তপে
আৰাধিলা দেৱ হৰি ॥
পূৰ্ব্ব জনমৰ সুকৃতি বিস্তৰ
ৰাজ্য ভোগে ক্ষয় দিলা।
তপ-ব্ৰত ধৰি কায়-ক্লেশ কৰি
দুস্কৃতি যত ভুঞ্জিলা ॥

পাপ পুণ্য দুয়ো দুখতে সুখতে
ভাগ কৰি নিলা ক্ষয়।
পৰম বৈৰাগ লভি মহাভাগ
চাড়িলা মনে বিষয় ॥
সাৱধান মনে থাকি নিজাসনে
জিনিয়া ইন্দ্রিয় বৰ্গ।
হুয়া স্বতন্ত্ৰ অনেক বৎসৰ
ভুঞ্জিলন্ত ভূ স্বৰ্গ ॥
হৰি ভকতিত লভি নিৰকতি
সবাতে ভৈল বৈৰাগ।
পুত্র-দ্বাৰা-ধন দেহকো আপোন
নাবোলন্ত মহাভাগ ॥
মায়ায়ে মোহিত স্বপ্নে বিৰচিত
সকলে অসত প্ৰায়।
যত দেখি শুনি যত মনে গুণি
বিচাৰে কিছো নোহয় ॥
মহিষী সকল সেৱা মহাবল
গজ বাজি ৰথ চয়।
ৰত্ন গৃহদ্বাৰ বিপুল ভাণ্ডাৰ
ৰাজ্য-লক্ষ্মী সমুদায় ॥
নানা উপবন ক্রীড়াৰ উদ্যান
প্ৰকাশয় দিনে ৰাতি।
জলধি সাগৰে সীমা ভৈল যাৰ
ৰাজ্য সাতো-দ্বীপা পতি ॥

সুঁৱত সুন্দৰ শৰীৰ সম্পদ
সবাকো দেখিলা মিছা ।
কেৱলে কৃষ্ণৰ চৰণ পদ্মৰ
সেৱাতেসে মাত্ৰ ইচ্ছা ॥
শুনা সভাসদ আশাৰ সম্পদ
কোন গণনাত লেখি ।
ধ্ৰুবৰো সম্প্ৰতি তাৰো বিৰকতি
দেখিয়ো কেনে নেদেখি ॥
মিছা সুখ ভোগ সম্ভোগ বিয়োগ
দেখন্তো কেনে নজানা ।
কিনো বুদ্ধি হত সম্যকে অসত
তাকে সত্য হেন মানা ॥
আগতে সাক্ষাত পুত্ৰ হুই জাত
পিতৃৰো মৰণ জানি ।
আমিয়ো মৰিবো পুনু উপজিবো
কিসক তাক নুগুণি ॥
পৰম দুৰ্লভ ইটো নৰ তনু
বৃথা কাৰ্য্যে হয় নাশ ।
মায়াৰ ৰচনা পুত্ৰ দাৰা ধন
তাহাতে দৃঢ় বিশ্বাস ॥
ছাৰা সবে ধন্দ সংসাৰৰ বন্ধ
কৃষ্ণতে কৰা ভকতি ।
মিছা ধনজন সম্যকে সোপন
তাত দূৰ কৰা মতি ॥

বিষ্ণু বৈষ্ণৱৰ চৰণ কিংকৰ
বোলন্তু বিষ্ণুভাৰতী ।
ৰাগ ৰঙ্গ ধ্বনি কৰিয়োক জানি
পাপ যাউক অধোগতি ॥

ধ্রুবৰ বানপ্রস্থ গ্রহণ আৰু ধ্রুবলোক প্রাপ্তি

পদ ।

এহিমতে যেবে বিৰকতি ভৈল জাত ।
দেখিলা বিষয়-সুখ উচ্ছিষ্ট সাক্ষাত ॥
দেহাবেসে স্বাৰ্থ ইটো নাসাধে মুকুতি ।
জানি মনে পৰিত্যাগ কৰিলা নৃপতি ॥
সন্তৰ আলাপে ভৈল উত্তম বিবেক ।
কৰিলা বৎসৰ তনয়ক অভিষেক ॥
দ্বিজগণ আনি মানি কৰি সুমঙ্গল ।
মিলাইলা সম্ভাৰ ফল-ফুল পুন্য জল ॥
মন্ত্ৰ পঢ়ি ব্ৰাহ্মণসকলে আশংসিল ।
আপুনি নৃপতি দূৰ্ব্বাক্ষত শিৰে দিল ॥
পাত্ৰগণে বিছিলেক ধৱল চামৰে ।
ধৰিলেক শ্বেত ছত্ৰ শিৰৰ উপৰে ॥

কল্পক কুমৰ সিটো কুমৰ কালতে।
উৰ্দ্ধৰেতা হুয়া গৈয়া ৰহিলা বনতে॥
এতেকেসে কল্পকৰ বাসনা এৰিলা।
বৎসৰৰ বংশে সবে পৃথিবী জুৰিলা॥
বৎসৰ কুমৰ যেবে ভৈলা ৰাজধৰ।
শুনিয়ো মৈত্রেয় কথা আত অনন্তৰ॥
ধ্রুবো পাছে বদৰিকাশ্ৰমে চলি গৈলা।
বিশালা নদীৰ তীৰে নিবাস কৰিলা॥
তাতে ৰহি আসন নিৰ্ম্মিয়া যথোচিত।
কুশ কম্বল চৰ্ম্ম সোহন বিহিত॥
পৱিত্ৰ নিৰ্ম্মল জল ফটিক সমান।
তাতে নামি ত্রিসন্ধ্যা কৰন্ত ৰাজা স্নান॥
বসি সাৱধান মনে হৃদয়-পদ্মত।
মাধৱৰ স্থূল মূৰ্ত্তি চিন্তন্ত মনত॥
এহিমতে কৃষ্ণক চিন্তন্ত অহৰ্নিশে।
দ্ৰবে তনু-মন হৰি ভকতি প্ৰবাহে॥
ধাৰায়ে লোতক বহে দুয়ো নয়নৰ।
পুলকিত অঙ্গ বাক্য নাসয় মুখৰ॥
পৰম আনন্দ পাই থাকন্ত নৃপতি।
শৰীৰকো পাসৰিলা লভিয়া মুকুতি॥
মই পৰমাত্মা ব্ৰহ্ম আছো জগততে।
যতেক প্ৰপঞ্চ মানে সবে আছে মোতে॥
ঘৃততে আনিয়া যেন ঢাকি থৈল ঘৃত।
তৈলতে কৰিল যে তৈলতে মিশ্রিত॥

সূক্ষ্মৰূপে ব্ৰহ্মাতে নিশ্চল ভৈল চিত্ত ।
জীয়ন্তে মুকুত ৰাজা ভৈলা কৃতকৃত্য ॥
জিনিলা ইন্দ্ৰিয়গন শান্ত ভৈল মন ।
সদায় সমাধি সিদ্ধি ভৈল ব্ৰহ্মজ্ঞান ॥
এহিমতে নৃপতি আছন্ত সেই থান ।
দেখন্ত স্বৰ্গৰ হন্তে আসন্ত বিমান ॥
দশোদিশ প্ৰকাশ কৰন্তে আসে আতি ।
নভাসে নয়ন যেন আদিত্যৰ কান্তি ॥
শীতল ধৱল যেন চন্দ্ৰৰ সঙ্কাশ ।
দেখন্ত বিমান আসি চাপিলেক পাশ ॥
ক্ষুদ্ৰ ঘণ্টা কিঙ্কিনি বাজয় ৰণ ৰণ ।
থানে থানে জ্বলে ৰত্নময় মণিগণ ॥
নানা বাদ্য-যন্ত্ৰ গীত শুনি মনোহৰ ।
প্ৰকাশয় শ্বেত ছত্ৰ চান্দোয়া চামৰ ॥
সেই বিমানতে ৰাজা দেখিলন্ত পাছে ।
দুই গোটা পাৰিষদ প্ৰকাশন্তে আছে ॥
মেঘ-সম শ্যাম তনু কৰয় প্ৰকাশ ।
পূৰ্ণচন্দ্ৰ সম মুখ শোভে অল্প হাস ॥
দুইৰো পীত ভূষি পীত পছেৰা গাৱত ।
প্ৰফুল্ল কমল দুইৰো আখি আৰকত ॥
সুবলিত ভ্ৰু যেন মদনৰ ধনু ।
বয়সে তৰুণ দুইৰো সুকুমাৰ তনু ॥
দুহানো শিৰত ৰত্ন-কিৰীটি উজ্জ্বল ।
দুইহানো কৰ্ণত জ্বলে মকৰ কুণ্ডল ॥

দুইহানো কণ্ঠত মণি-মুকুতাৰ হাৰ ।
চাৰু চতুৰ্ভুজ দুইৰো ৰবে জালিঙ্কাৰ ॥
কেয়ূৰ কঙ্কন দুইৰো মেখলা কটিত ।
উৰু কৰী-কৰ দুইৰো ত্রিবলী বলিত ॥
থলকমলকো গঞ্জে দুহানো চৰণ ।
ৰত্নৰ উঝতি ৰত্ন নুপূৰে শোভণ ॥
দেৱতো উত্তম জ্বলে শৰীৰৰ কান্তি ।
দুইজনোৰে গলে জ্বলে মালা বৈজয়ন্তি ॥
ৰত্নময় কেয়ুৰ কঙ্কন দুইৰো হাতে ।
গদা ধৰি আছে দুইকো দেখিলা সাক্ষাতে ॥
কৃতাঞ্জলী কৰি ৰাজা উঠি সচকিতে ।
কৃষ্ণ কৃষ্ণ বুলি প্রণামিলা দণ্ডৱতে ॥
নমস্কাৰ কৰি উঠি কৰি কৃতাঞ্জলি ।
অৱনত ভাৱে ৰহি আছা মহাবলী ॥
নন্দ সুনন্দ দুয়ো মুখ্য পাৰিষদ ।
ধ্রুৱৰ ভকতি দেখি দুয়ো নিশবদ ॥
পূৰ্ণচন্দ্র সম দুইৰো বদন প্রকাশি ।
নৃপতিক সম্মুখি মাতন্ত হাসি হাসি ॥
শুনা সাৱধানে ৰাজা কৃষ্ণৰ সন্মত ।
জানিলো কৃষ্ণৰ তুমি একান্ত ভকত ॥
কিনো মহা ভাগ্যৱন্ত তুমি মহামতি ।
হৰ তুষ্ট ভৈলো দেখি তোমাৰ ভকতি ॥
পাঞ্চ বৰিষতে তুমি যাক আৰাধিলা ।
পৰম প্রসাদ পদ যাহাত লভিলা ॥

কোটি ব্ৰহ্মাণ্ডৰ যিটো নাথ নাৰায়ণ ।
ব্ৰহ্মা-মহেশ্বৰ পূজে যাহাৰ চৰণ ।
নাহি কেহো যাহাৰ সমান আতিশয় ।
কোটি ব্ৰহ্মাণ্ডক যিটো স্ৰজয় পালয় ॥
তানে নিজে ভৃত্য বুলি জানিবা আমাক ।
আসি ভৈলো মহাৰাজা তোমাক নিবাক ॥
ব্ৰহ্মাদিৰো পৰম দুৰ্লভ যিটো থান ।
যাক নৈয়ো দেখে ইন্দ্ৰাদিয়ো দেৱগন ॥
বিষ্ণুৰ পৰম পদ প্ৰিয়তৰ থান ।
বিষ্ণু বিনে তাৰ অধিকাৰ নাহি আন ॥
চন্দ্ৰ-সূৰ্য্য গ্ৰহ-ঋক্ষ তাৰাগন যত ।
যাক প্ৰদক্ষিণ কৰি ফুৰন্ত সতত ॥
তোমাৰ উপৰি বংশে নৈয়ো দেখে যাক ।
উগ্ৰতপ কৰি আনে নাপাৱে যাইবাক ॥
জ্যোতিৰ্ম্ময় থান ৰাজা জানা আক মনে ।
যি থানক পূৰ্ব্বে ইন্দ্ৰ আদি দেৱগণে ॥
ইটো দিব্য বিমান পঠাইলা নাৰায়ণে ।
আমিয়ো আসিলো ৰাজা এই প্ৰয়োজন ॥
সত্বৰে নৃপতি আসি উঠা বিমানত ।
সুখে থাকিয়োক আসি বিষ্ণুৰ থানত ॥
ত্ৰৈলোক বিনাসে যাৰ নাহিকে বিনাশ ।
সি ঠাৱতে ৰজা সুখে কৰিবে৷ নিবাস ॥
এই বাক্য বুলি মৌন ভৈলা দুয়োজন ।
শুনিয়া ধ্ৰুৱৰ আতি তুষ্ট ভৈলা মন ॥

ছুলড়ী ।

বিতুৰক প্ৰতি মৈত্ৰেয় বদন্তি
শুনা ভৈল যেন পাছে ।
সুন্দৰ নন্দন দুইহানো বচন
ধ্ৰুৱে যেবে শুনি আছে ॥
কৃষ্ণৰ আদেশ শুনিয়া অশেষ
আনন্দে আকুল ভৈলা ।
বিশালা তীৰ্থত নামি মহানীতি
সপটে স্নান কৰিলা ॥
মুনিগণ যত আছিল তথাত
সবাহাকে প্ৰণামিলা ।
দেখি মুনিগণে তুষ্ট হুয়া মনে
নৃপতিক আশংসিলা ॥
সবাতে বিদায় মাগি মহাশয়
বিনয় বাক্য বুলিলা ।
বিমানকে নিয়া পাদ্য অৰ্ঘ দিয়া
ভকতি ভাবে পূজিলা ॥
প্ৰদক্ষিণ কৰি পৃথিবীত পৰি
প্ৰণামিলা বাৰম্বাৰ ।
সুন্দৰ নন্দন দুহানো চৰণে
কৰিলন্ত নমস্কাৰ ॥

সুমঙ্গল করি বিমানত চৰি
যাইবাক চান্ত নৃপতি ।
বপু সুবর্ণৰ বর্ণ কলেবৰ
প্রকাশ কৰন্ত জ্যাতি ॥
দেখন্তো উত্তম দেখি নিৰূপম
নৃপতিৰ কলেৱৰ ।
দুয়ো পাৰিষদ ভৈলা নিশবদ
তেজ দেখি বৈষ্ণৱৰ ॥
দেৱ বাদ্য যত বাৱে আকাশত
দুন্দুভি শঙ্খ পল্লৱ ।
ঢাক—ঢোল ভেৰি কাহাল মহৰি
ভৈলা মহা মহোৎসৱ ॥
দশোদিশ ছানি জয় জয় ধ্বনি
কৰে সবে মন তুষ্টি ।
দেৱগণ যত থাকি আকাশত
কৰিলা কুসুম বৃষ্টি ॥
বিদ্যাধৰগণে বাৱে ৰঙ্গমনে
গন্ধর্বে গায়ন্ত গীত ।
ত'লকত্র ধৰি বাৱৈ বিদ্যাধৰী
অপেশ্বৰা কৰে নৃত্ত ॥

ছবি।

ইন্দ্ৰ আদি দেৱগণে দেখি সবে ৰঙ্গমনে
আশংসা প্ৰশংসা কৰে বেঢ়ি।
ধ্ৰুৱো সেহি সময়ত আৰোহিয়া বিমানত
পাইলা স্বৰ্গ পৃথিবীক ছাৰি॥
সেই বেলা ধ্ৰুৱে আসি বিমানত যান্ত বসি
সুনীতি মাতৃক স্মৰিলন্ত।
হৰি হৰি মাতৃ মোৰ নেৰাইলা সংসাৰ ঘোৰ
পৃথিবীত পৰি থাকিলন্ত॥
স্বামীতো নৈৰাশ ভৈলা নিৰাশ্ৰয় হুয়া ৰৈলা
ময়ো আৰ নকৰিলো শুদ্ধি।
ধ্ৰুৱৰ মুখক দেখি পৰিষদে কাৰ্য্য লক্ষি
বুলিলন্ত ৰাজাক সম্মুখি॥
নৃপতিৰ মুখ চাই সুনন্দ নন্দন দুই
বোলে শুনিয়োক মহাৰাজ।
মাতৃক লাগিয়া মনে কষ্ট কৰা অকাৰণে
ইঙ্গিতে জানিলো তুৱা কাজ॥
ৰাজা উপৰক বুলি চাই দেখা মাথা তুলি
সমীপতে তোমাৰ আগত।
নেয় পাৰিষদগণে চলি যান্ত ৰঙ্গমনে
আৰোহিয়া দিব্য বিমানত॥

এইমতে চলি যান্ত যেই যেই থান পান্ত
যত ঋষি মুনিগণ যত।
পাদ্য-অৰ্ঘ কৰি দান পূজা কৰি বৰ্ত্তমান
পুষ্প বৃষ্টি কৰন্ত শিৰত।
এইমতে পূজা পাই ত্ৰৈলোক্য অতিক্ৰমি যায়
পাইলা পৰম্পাদ সন্নিধান।
তিনিয়ো লোকৰ মাজ যাত থাকি সামৰাজ
প্ৰকাশ কৰয় বিদ্যমান।
চন্দ্ৰ-সূৰ্য্য তাৰাগণে ফুৰি ফুৰি ৰাত্ৰি দিনে
প্ৰদক্ষিণ কৰয় যাহাত।
চতুৰ্দ্দশ ভুৱনৰ দেখি ভয় নিৰন্তৰ
চুৰণিত ভৈলন্ত সাক্ষাত।

পদ।

মৈত্ৰেয় কহন্ত বিদুৰৰ বিদ্যমানে।
অল্প পুণ্যে সি থানক নপাৱয় আনে॥
যাক প্ৰতি মাধৱৰ অনুগ্ৰহ থাকে।
সি জনাসে আৰোহিবে জানা পাৰে তাক॥
সত্যে জন হোৱে মহা শুদ্ধ শান্ত মন।
একান্তে আৰাধে কৃষ্ণ পঙ্কজ চৰণ॥
সমস্তে প্ৰাণীতে সমভাৱে প্ৰৱৰ্ত্তয়।
সিজনাসে সি থানক যাইবাক পাৱয়॥

একান্তে বৈষ্ণৱ বিনে সি থানক আনে।
ভক্তি-হীন পুৰুষে যাইবাক পাৰে কোনে॥
হেন জানি বিদুৰ কৃষ্ণৰ পাদ-পদ্ম।
একান্ত ভজিবা মনে মনে নকৰিবা ছদ্ম॥
অধিক তোমাত কিবা কহিবাক লাগে,
পাইবা পাৰিষদ তনু তুমি মহাভাগে॥
তুমি সম ভাগ্যৱন্ত নাই সংসাৰত।
যাক সুমৰিলা হৰি পয়ান কালত॥
কি কৈবো বিদুৰ তুমি ভৈলা কৃতাকৃতা।
দেখা যেনে ধ্ৰুবৰ মহিমা বিপৰীত॥
সপত্নী মাতৃৰ বাক্যে আৰাধি চৰণ।
অল্প কালে মাধৱক পাইলা দৰিশন॥
লভিলা পৰম পদ ত্ৰৈলোক্যত সাৰ।
যাৰ সম পৰম সম্প্ৰাপ্তি নাহি আৰ॥
অলক্ষিত গতি কাল-চক্ৰ মূল যাক।
জগতৰে আয়ু লাগি থকে ছেদিবাক।
অণু পৰমাণু আদি বৎসৰ পৰ্য্যন্তে।
হেন জ্যোতি চক্ৰ যিবা আছয় ভ্ৰমন্তে॥
হেন উৎকৃষ্ট স্থান ধ্ৰুৱে পাই বৈলা।
যত জ্যোতিবৰ্গ সমস্তৰে মেধি ভৈলা॥
যেন ধান্যচয় মৰ্দ্দে কৃষক সকলে।
মেধি অনুসাৰে সবে বৃষগণ চলে॥
সেইভাৱে ধ্ৰুৱে আছা সবাৰে উপৰে।
সবেয়ো ভ্ৰময় ধ্ৰুবৰ অনুসাৰে॥

দেৱ সিদ্ধমুনি গ্ৰহ-ঋষি তাৰাচয় ।
চন্দ্ৰ-সূৰ্য্য আদি জ্যোতিৰ্গণ সমুদায় ॥
সমস্তৰে চূড়ামণি ভৈলা মহাশয় ।
ধ্ৰুৱৰ সম্পত্তি দেখি সবাৰে বিস্ময় ॥
হেনয় নিৰ্ম্মল যশ ধ্ৰুৱৰ মহত্ত ।
গাইলন্ত নাৰদে প্ৰচেতসৰ সত্ৰত ॥
ব্ৰহ্মসত্ৰ মধ্যে দেৱ-ঋষি মহাযশী ।
ধ্ৰুৱৰ চৰিত্ৰ গান্ত পৰম হৰিষি ॥
আনো সিদ্ধমুনিগণে পৰম হৰিষে ।
ধ্ৰুৱৰে নিৰ্ম্মল কীৰ্ত্তি গাৱে দশোদিশে ॥
সাফল সুনীতি পতিব্ৰতা মহাসতী ।
ধ্ৰুৱ হেন পুত্ৰে যাতো ভৈল পুত্ৰৱতী ॥
কি কহিবো সুনীতি দেৱীৰ তপোবল ।
ধ্ৰুৱ হেন পুত্ৰ যাৰ জীৱন সাফল ॥
বেদ-বাদী আনো যত আছে দ্বিজচয় ।
তৰা সবো সুনীতিৰ সম নুহিকয় ।
যদি উগ্ৰ তপস্যা কৰয় ৰাজাগণ ।
নুহিবেক ভাগ্য তাৰো সুনীতি সমান ॥
ধ্ৰুৱৰ মহিমা আৰো গান্ত মুনিবৰে ;
অদ্ভুত মহিমা শুনি সন্তোষ সবাৰে ॥
পাঞ্চ বৎসৰ মাত্ৰ শিশু অতিশয় ।
সাপত্নী মাতৃৰ বাক্যে ব্যথিত হৃদয় ॥
দুৰ্ভগাৰ পুত্ৰ বুলি কৰিলেক নিন্দা ।
নকৰিল ধ্ৰুৱক বাপেয়ো অভিনন্দা ॥

অপমানে মাতৃৰ পাশক গৈলা কান্দি ।
সুনীতিয়ো বিস্তৰ কান্দিলা গলে বান্ধি ।
দিলা উপদেশ মাতৃ ধ্রুবক সম্মুখি ।
সাধ প্ৰতিজ্ঞাৰ যাগ কৃষ্ণক আৰবি ॥
মাতৃৰ বচনে চলি গৈলা তপোবনে ।
তপ কৰি আৰধিলা হৰিৰ চৰণে ॥
লভিল উত্তম গতি ত্ৰৈলোক্যতে সাৰ ।
পৰম পুৰুষ হৰি বশ্য ভৈলা যাৰ ॥
পাঞ্চ বৎসৰৰ শিশু যি কৰ্ম্ম কৰিলা ।
যেন তপ কৰি যেন তপ আচৰিলা ॥
বৰ বৰ চক্ৰবৰ্ত্তী ৰাজা নিৰন্তৰ ।
নৰাৰিব আৰাধিয়ো সহস্ৰ বৎসৰ ॥
মৈত্ৰেয় বোলন্ত শুনিয়োক ধৰ্ম্মৰাজ ।
কহিলো তোমাত পুছিলাহা যত কাজ ॥
ধ্রুবৰ নিৰ্ম্মল যশ উদাৰ চৰিত ।
সাধু সবে গাৱে যাক পৰম পবিত্ৰ ॥
সাৱধান মনে সবে শুনা বুদ্ধজন ।
ধন-জন যশ-আয়ু কল্যাণ বৰ্দ্ধন ॥
মিলাৱে পৰম পুন্য পাতককো বঞ্চে ।
ইহলোকে সুখ পৰলোকে স্বৰ্গ বঞ্চে ॥
যিটো জনে শ্ৰদ্ধা কৰি শুনে বাৰম্বাৰ
মাধৱত একান্ত ভকতি হৱে তাৰ ॥
যিটো ভক্তি ইটো ঘোৰ সংসাৰ তৰয়
মহন্তসবৰ যিটো পৰম আশয় ॥

যত সদগুণ মানে সবলে সঞ্চয়।
ব্ৰাহ্মণে শুনিলে ব্ৰহ্মতেজ বৃদ্ধি হয় ॥
ক্ষত্ৰিয়ো শুনিলে হয় ৰণত পণ্ডিত।
বশ্যে শুনিলে হয় ধনী বিপৰীত ॥
শূদ্ৰে শুনিলে তাৰ হৱে শুদ্ধমতি।
হেন জানি সাৱধানে শুনা কুৰুপতি ॥
প্ৰভাতে শয়নে যদি শুনে কদাচিত
পৰম মঙ্গল ইটো ধ্ৰুবৰ চৰিত ॥
অমাৱাসী পূৰ্ণিমাসী দ্বাদসী দিনত।
ৰবিবাৰ দিন একাদশী দোমাসীত ॥
শুনে বা শুনাৱে যিটো ব্ৰাহ্মণৰ আগে।
পাৱে মহা পুণ্য আৰো কি কহিব লাগে
যদ্যপি ফলক ইচ্ছা নকৰয় মনে।
শ্ৰদ্ধা ভাৱ কৰি মাত্ৰ শুনোক শ্ৰৱণে ॥
তাহাত পৰম তুষ্ট হুয়া ভগৱন্ত।
পৰম বিজ্ঞান জ্ঞান অনুভৱ দেন্ত ॥
পৰম পৱিত্ৰ বিষ্ণু বৈষ্ণৱ আখ্যান।
জ্ঞান-বিজ্ঞানযুক্ত অমৃত সমান ॥
যিটো আকে কৃপা কৰি শুনাৱে লোকক
সবে দেৱ-দেৱী কৃপা কৰন্ত তাহাক ॥
মৈত্ৰেয়ে বোলন্ত শুনা কুৰু বীৰবৰ।
পৰম অদ্ভুত কীৰ্ত্তি কহিলো ধ্ৰুবৰ ॥
শিশু-লীলা এৰি মাতৃ-গৃহ পৰিহৰি।
বিষ্ণুৰ পৰম পদ পাইলা যেন কৰি ॥

ইসব সকলে কথা কহিলো তোমাত ।
যাৰ সম পুণ্য কথা নাই সংসাৰত ॥
আশ্চৰ্য্য মহিমা ইটো ধ্ৰুৱৰ আখ্যান ।
জানা কুৰুপতি সমাপতি এহিমান ॥
নমো নমো পৰম মঙ্গল লক্ষ্মীপতি ।
অজ্ঞানীৰ জ্ঞানদাতা অগতিৰ গতি ॥
যাহাৰ সেৱাত তৰে দুৰ্ঘোৰ সংসাৰ ।
কৰি প্ৰণিপাত কোটি কোটি নমস্কাৰ ॥
ক্ষমিয়োক মোৰ অপৰাধ নিৰন্তৰ ।
নাজানি বৰ্ণাইলো যিটো চৰিত্ৰ তোমাৰ ॥
তুমি জগতৰ জীৱ ঈশ্বৰ নিয়ন্তা ।
তুমি চৰাচৰ অন্তৰ্যামী পৰমাত্মা ॥
হৃদয়ত থাকি যেন দিলা উপদেশ ।
তাকে হ্ৰস্ব-দীৰ্ঘ ছন্দে ৰচিলো নিশেষ ॥
আমি জড় জীৱ তুমি চৈতন্য প্ৰকাশ ।
যেন জড় লোহা ভ্ৰমে চুম্বকৰ পাশে ॥
মহন্তসৱক পৰমেশ্বৰে বোলে বাক ।
অজ্ঞ হেন জানি কৃপা কৰিয়ো আমাক ॥
নকৰিবা নিন্দা দেখি পদত দূষণ ।
বিশেষত মহন্তৰ ক্ষমাসে ভূষণ ॥
পৰম মঙ্গল ইটো কৃষ্ণ কীৰ্ত্তনত ।
কোন লাভ আছে দোষ-গুণ বিচাৰত ॥
দুৰ্জ্জনসে ইহাতে দৰশে গুণ-দোষ ।
মহাজনে পাৱে আত পৰম সন্তোষ ॥

কবিৰত্ন-সুত বিষ্ণুভাৰতী বদতী।
আপুনিসে বৰে নৰে আপোনাৰ গতি ॥
আপোনাক আপুনিসে নেয় অধোগতি।
জানি একচিত্তে কৰা হৰিত ভকতি ॥
যুগ-ধৰ্ম্ম বিচাৰি জানিবা তত্ত্ব-সাৰ।
কলিত কীৰ্ত্তন বিনে ধৰ্ম্ম নাহি আৰ ॥
সত্যযুগে ধ্যান কৰি পাৱে যেনমত।
ত্ৰেতাযুগে সেই গতি পাৱয যজ্ঞত ॥
পূজা কৰি পাৱে সেই গতি দ্বপৰত।
কলিত পাৱয় গতি নাম কীৰ্ত্তনত ॥
সকল শাস্ত্ৰৰ ই.টা বচন প্ৰশস্ত।
জানিযা বিশ্বাস কৰা হৰি-কীৰ্ত্তনত ॥
শুনিয়োক নৰলোক ইটো কৃষ্ণ কথা।
ভাৰত ভূমিত জন্ম নকৰিযো বৃথা ॥
হেনয় নিশ্চয় মনে সাৱধান কৰি।
অনুক্ষণে ডাকি সবে বোলা হৰি হৰি ॥

সমাপ্ত

অসম সাহিত্যৰত্ন প্ৰকাশ ভৱনৰ প্ৰকাশি থনচেৰেক পুথিৰ নাম

হৰিচন্দ্ৰ উপাখ্যান	.... ১৸৹	ভক্তি ৰত্নাৱলী	.... ৩৲
আদি দশম	.... ১॥৹	নাম মালিকা	... ১॥৹
সীতা বনবাস	... ৸৶৹	বাৰকুৰী বৰগীত	... ৩৲
শ্ৰীকৃষ্ণ গীতা (১৭ খন ছবি সহ পকা বান্ধা)	... ৫॥৹	বান মালিকা ...	... ৸৹
কীৰ্ত্তন ঘোষা	. ৮৲	ভক্তি প্ৰদীপ ...	.... ১৷৹
নাম ঘোষা	.... ২৲৹	জন্ম ৰহস্য ...	... ১৲
প্ৰহ্লাদ চৰিত্ৰ	.... ॥৹	স্যমন্ত হৰণ ..	. . ।৹
শিশু লীলা....	.... ৷৶৹	কান খোৱা ..	.... ।৹
কালিকা পুৰাণ	.... ॥৶৹	লক্ষ্মী চৰিত্ৰ	... ।৹
		ধ্ৰুৱ চৰিত্ৰ ...	.. ১৹

প্ৰাপ্তিস্থান—

শ্ৰীশ্ৰীশঙ্কৰদেৱ লাইব্ৰেৰী

পাণ্ডৱৰী আশ্ৰম

গুৱাহাটী।

মুদ্ৰাকৰ ও প্ৰেচুত:—শ্ৰীযোগেন্দ্ৰনাথ দাসৰ দ্বাৰা ছপা কৰা হ'ল